ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

# OFFICIAL REPORT

JANUARY SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JANUARY SESSION

## VOL. I

NO. 5

The 22nd January, 1986

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1986

(January Session)

**Volume I**

No. 5

Dated, the 22nd January, 1986.

Contents

Pages


| | | |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 1 — 5 |
| 2. | Miscellaneous .. ... .. ... | 5 |
| 3. | Calling Attention Notice ... ... ... | 5 — 7 |
| 4. | Matter Under Rule 301 ... ... ... | 7 — 9 |
| 5. | Motion for Election of Members to University Court. ... | 9 —10 |
| 6. | Debate on Governor's Address ... .. | 10– 40 |
| 7. | Statement made by the Chief Minister ... | 40—41 |
| 8. | Debate on Governor's Address ... .. | 41—52 |
| 9. | Announcement from the Chair ... .. | 52– 53 |
| 10 | Adjournment ... ... .. ... | 53 |

Proceedings of the First Session of the Assam Legislative Assembly assembled after the Eighth General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur Guwahati on Wednesday the 22nd January 1986 with the Hon'ble Speaker in the Chair, 14 (fourteen) Ministers, 7 (Seven) Ministers of State, and 95 (Ninety-five) Members present.

## STARRED

## QUESTIONS AND ANSWERS

Date 22nd January, 1986

(To which oral answers were given)

### Re : Lift Irrigation

শ্ৰীজয়নাথ শৰ্মাই সুধিছে :

*২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত লিফ্‌ট ইৰিগেচন ব্যৱস্থাৰে খেতি পথাৰত পানী যোগানৰ কিবা ব্যৱস্থা আছে নেকি ?

(খ) যদি নাই, তেন্তে এই ব্যৱস্থা প্ৰবৰ্তন কৰি খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা চৰকাৰে হাতত লব নেকি ?

(গ) এই সম্পৰ্কত দৰং জিলাৰ কুৰুৱা অঞ্চলত প্ৰায় ২০,০০০ বিঘা মাটিত লিফ্‌ট ইৰিগেচনৰ প্ৰবৰ্তনৰ বাবে জলসিঞ্চন বিভাগে কিছু দিন আগেয়ে জৰীপ চলোৱা কথা সঁচা নেকি ?

(ঘ) যদি সঁচা, এই আঁচনি কি অৱস্থাত আছে জনাব নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২। (ক) হয় আছে।

(খ) ওপৰোক্ত উত্তৰৰ সাপেক্ষে প্ৰশ্ন নুঠে।

(গ) এই সম্পৰ্কত ১৯৭৯-৮০ চনত ব্ৰহ্মপুত্ৰৰ পৰা উত্তোলিত জলসিঞ্চনৰ সহায়ত এইটো এলেকাত জলসিঞ্চন কৰিবৰ বাবে এটা অনুসন্ধান আৰু জৰীপ চলোৱা গৈছিল।

(ঘ) ব্ৰহ্মপুত্ৰৰ পৰা প্ৰস্তাৱিত এই উত্তোলিত আঁচনি অনুসন্ধান আৰু জৰীপ চলোৱাৰ পিচত কাৰিকৰী দিশৰ পৰা সম্ভৱপৰ পোৱা নগল। সম্প্ৰতি ইয়াৰ বিকল্প ব্যৱস্থা হিচাপে এই এলেকাতৰৰ নদীৰ পৰা উত্তোলিত জলসিঞ্চন কৰি পৰাকৈ এটা অনুসন্ধান আৰু জৰীপৰ প্ৰাক্কলন কৰা গৈছে। অনুসন্ধান আৰু জৰীপৰ পিছত যদি আঁচনিটো আৰ্থিক আৰু কাৰিকৰী দিশৰ পৰা সুচল বুলি পোৱা হয় তেন্তে তাক কাৰ্য্যকৰী কৰিবলৈ বিবেচনা কৰা হব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই বিভাগীয় মন্ত্ৰী মহোদয়ক কেইটামান কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এতিয়ালৈকে অসমত ইৰিগেচনৰ বিভিন্ন স্কীমৰ জৰিয়তে কিমান হেক্টাৰ মাটিত পানী যোগানৰ ব্যৱস্থা কৰিছে? বৰ্ত্তমান অৱস্থাত ইৰিগেচন বিভাগত কিমান 'অন গে'ইং প্ৰজেক্ট আৰু কিমান প্ৰপোজ প্ৰজেক্ট আছে? যিবিলাক অন গোইং প্ৰজেক্ট আছে সেইবিলাকৰ কাম ইৰিগেচন বিভাগে কৰা নাই। মানকাচাৰৰ বুড়া বুড়ী লিফ্‌ট ইৰি-গেচন স্কীমটো সময়মতে সম্পাদন কৰা হোৱা নাই আৰু সেইটো সম্পাদন নকৰাৰ কাৰণ কি? ঠিক তেনেদৰে ধনশিৰী প্ৰজেক্ট আৰু চম্পা প্ৰজেক্টৰ ক্ষেত্ৰটো একেই অৱস্থা হৈছে।

শ্ৰীহেমেন দাস ঃ- মাননীয় সদস্যজনে পৰিপূৰক প্ৰশ্নহে কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ- ইৰিগেচন বিভাগত কিমান 'অন গোইং' আৰু কিমান প্ৰপোজ প্ৰজেক্ট আছে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই কৰা প্ৰশ্নৰ উত্তৰত মই কব বিচাৰিছো যে অসমৰ বিভিন্ন জিলাকসামৰি গোটেই ৰাজ্যতেই ৩০৯ টা প্ৰজেক্ট আছে। তাৰে ৩১-৩-৮৫ ৰ ভিতৰত প্ৰায় এতিয়া কাম সম্পূৰ্ণ হৈছে ১৬৯ টাৰ আৰু কাম কৰিবলৈ বাকী আছে ১৪০ টাৰ আৰু কিমান হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হব এই প্ৰশ্নৰউত্তৰ পিচত দিম।

Shri CHARAN NARZARY—Mr. Speaker, Sir, will the Honble Irrigation Minister be pleased to let this House know whether the Government have any statistics on working lift irrigation schemes and non-working lift irrigation schemes ? If not, then will the Hon'able Irrigation Minister take necessary steps to collect the data about this ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) ঃ— মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন কৰিছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। কিন্তু আপোনালোক সকলোৱে জানে যে আমি নতুনকৈ চৰকাৰৰ দায়িত্ব লৈছো। সেই কাৰণে কৃতকাৰ্য্য আৰু অকৃতকাৰ্য্য যিবোৰ লিফ্‌ট্ ইৰিগেচন স্কীম আছে সেই বিলাক আমি সোনকালে তদন্তৰ ব্যৱস্থা কৰিম। আৰু পাচত সেই বিষয়ে জনাব পাৰিম।

শ্ৰীচাৰ্মাচিং হাঞ্চে ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাৰ পৰিপূৰক প্ৰশ্ন সম্পৰ্কত মই মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰিব খোজো যে কাৰ্বি আংলঙৰ বৰলীয়া আৰু যমুনা নদীৰ জলসিঞ্চনৰ দ্বাৰা কিমান হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) ঃ— এই বিষয়ে অনুসন্ধান কৰি পিচত জনাম।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছো যে ধনশিৰী ইৰিগেচন প্ৰজেক্টটো ১৯৭৫ চনতেই আৰম্ভ হয় কিন্তু ইয়াৰ কাম কি কাৰণত সম্পূৰ্ণ হোৱা নাই এই বিষয়ে তদন্ত কৰিব নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসিঞ্চন মন্ত্ৰী) :— এই ধনশিৰী প্ৰজেক্টৰ ক্ষেত্ৰত আমি শাসন ভ ৰ লোৱাৰ পিচত মই নিজেই ইয়াত উদ্বেগ প্ৰকাশ কৰিছিলো যে কিয় ইমান দিন এইটো সম্পূৰ্ণ হোৱা নাই। এই বিষয়ে সোনকালে তদন্ত কৰিম আৰু মই নিজেই ধনশিৰী প্ৰজেক্ট পৰিদৰ্শন কৰিম বুলি প্ৰতিশ্ৰুতি দিছো।

Mr. SPEAKER—Now the Short Notice Question by Shri Hemen Das.

## SHORT NOTICE

## QUESTION AND ANSWER

### Re : Investigation by Vigilance Cell.

Shri HEMEN DAS : asked

1. Will the Minister, Political etc. be pleased to state—

The number of corruption cases investigated by vigilance Cell in the year 1984 and 1985, and action taken thereon ?

শ্ৰীভৃগু কুমাৰ ফুকন (ৰাজনৈতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৮৪ আৰু ১৯৮৫ চনত ভিজিলেন্স চেলে অনুসন্ধান কৰা দুৰ্নীতি গোচৰ সমূহৰ সংখ্যা হল যথাক্ৰমে ১৭ আৰু ৩২ টা।

বিশেষ তদাৰক শাখাই ১৯৮৪ চনৰ এপ্ৰিল মাহৰ পৰা ৩১ ডিচেম্বৰলৈ মুঠতে ১৭ টা গোচৰ অনুসন্ধান কৰে। তাৰে ৯ টা গোচৰত প্ৰমানাদি পোৱা গৈছে, ৫ টা গোচৰত প্ৰমানাদি পোৱা নাই। (অৰ্থাৎ অভিযোগ সত্য নহয়) আৰু ৩ টা গোচৰৰ ক্ষেত্ৰত এতিয়াও বিশেষজ্ঞৰ মতামত আৰু বিভিন্ন বিভাগৰ তথ্যপাতি পৰীক্ষা কৰিবলৈ বাকী আছে। প্ৰমানাদি পোৱা ৯ টা গোচৰৰ ভিতৰত ১ টা গোচৰ ১৯৪৭ চনৰ দুৰ্নীতি নিবাৰক আইনৰ ৫(২) ধাৰামতে ৯ জন ব্যক্তিৰ বিৰুদ্ধে আছে। অনুসন্ধান সম্পূৰ্ণ হৈছে। উদ্যোগ বিভাগ আৰু বান নিয়ন্ত্ৰণ বিভাগৰ পৰা দোষীৰ বিৰুদ্ধে গোচৰ তৰিবলৈ বিভাগীয় মঞ্জুৰী পালেই (প্ৰচিকিউচন চেংচন হলেই) চাৰ্জচিট দিয়া হব। বাকী ৮ টা গোচৰৰ ক্ষেত্ৰত চৰকাৰে সংশ্লিষ্ট বিভাগলৈ বিভাগীয় তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিছে।

১৯৮৫ চনত ৩২ টা গোচৰৰ ভিতৰত ৯ টা গোচৰৰ প্ৰমানাদি পোৱা গৈছে, ৮ টা গোচৰত প্ৰমানাদি পোৱা নাই আৰু বাকী ১৫ টা গোচৰ বিশেষজ্ঞৰ মতামত, বিভিন্ন বিভাগৰ তথ্যপাতি পৰীক্ষাৰ কাৰণে অসমাপ্ত হৈ আছে। উক্ত ৯ টা গোচৰৰ ভিতৰত ২ টাৰ ক্ষেত্ৰত ৬ জন দোষী ব্যক্তিৰ বিৰুদ্ধে দুৰ্নীতি বিষয়ক ফৌজদাৰী গোচৰ তৰা হৈছে। ফিংগাৰ প্ৰিন্ট বিশেষজ্ঞলৈ তথ্যাদি পৰীক্ষাৰ বাবে পঠোৱা হৈছে। অন্য কেইটা গোচৰৰ ক্ষেত্ৰত চৰকাৰে সংশ্লিষ্ট বিভাগক বিভাগীয় তদন্ত কৰি কাৰ্য্যব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছে।

শ্ৰীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, বিশেষ ব্যৱস্থা চৰকাৰে সোনকালে লোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— নিশ্চয়, এই বিষয়ে চেষ্টা কৰা হব।

শ্রীরামেন্দ্র দে :— অধ্যক্ষ মহোদয়, এ কথা কি ঠিক যে বিভাগ থেকে যাতে কোন পজিটিভ্ ষ্টেপ্ নিতে না পারেন তার জন্য তৎকালীন সরকারের কিছু দায়ীত্বশীল প্রভাবশালী নেতা এই বিভাগের উপর নানা ধরণের চাপ সৃষ্টি করে আসছিলেন ?

তাছাড়া, যে কেসের তদন্ত ইতিমধ্যে শেষ হয়েছে এবং যার বিরুদ্ধে তদন্ত হয়েছে তার নাম আমরা জানতে পরি কি ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— বিষয়া সকলৰ নাম এতিয়াই প্ৰকাশ কৰাতো সমিচীন নহব বুলি ভাবো।

শ্ৰীজয়নাথ শৰ্ম্মা :— ১৯৮৩ চনত যোৰহাটৰ এচ পিয়ে ৮৭ হাজাৰ টকা খৰচ কৰিছিল। এই বিষয়ত বিভাগীয় ভাবে অনুসন্ধান কৰা হৈছিল বুলি জানো। এই সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰা হল জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— আচলতে যিটো ভিজিলেন্স চেল কৰা হৈছিল সেইটো ৰাইজক দেখুৱাবৰ বাবেই কৰা হৈছিল বুলি ভাবো। আগৰ চৰকাৰে ভিজিলেন্স চেলক কোনো কাম কৰিবলৈ দিয়া হোৱা নাছিল। এতিয়া আমি ক্ষমতালৈ অহাৰ পিচত এই বিলাক তথ্য পাতি চাইছো। এই চেল-টোৱে যেনে ভাবে কাম কৰিব লাগিছিল তেনে ভাবে কাম কৰা নাছিল। এই সম্পৰ্কত আমি এতিয়া ব্যৱস্থা লৈছো।

শ্ৰীজয়নাথ শৰ্ম্মা :—১৯৮৪ চনত মংগলদৈত ২১ লাখ টকাৰ কাম নকৰি ইৰিগেচনৰ এজন ঠিকাদাৰে আৰু এজন ইঞ্জিনিয়াৰে টকা খিনি আত্মসাৎ কৰিছিল। তাৰ কাৰণে তেওঁলোক গেপ্তাৰ হৈ ৩ মাহ জেইলত থাকিবলগীয়া হৈছিল এই বিষয়ত কি ব্যৱস্থা লোৱা হল জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— এই বিষয়ৰ তথ্যপাতি মোৰ হাতত নাই, অনুসন্ধান কৰি চাব লাগিব।

Shri CHARAN NARZARI—Mr. Speaker, Sir, may know from the Hon'ble Minister whether the investigation include any names of the then Minister ?

শ্ৰীভৃগু কুমাৰ ফুকন :— এই বিষয়ৰ তথ্যপাতি মোৰ হাতত নাই। পিচত চাইহে কব পাৰিম।

কুমাৰ দীপক দাস :— নলবাৰীৰ ওচৰৰ এটা সময়ত আমাৰ বন্ধু সুভাষ শৰ্মাক ৰাইজে আখ্যা দিয়া অবৈধ মন্ত্ৰী শ্ৰীভূমিধৰ বৰ্মণৰ নিৰ্দেশত হত্যা কৰা হৈছিল। এই সম্পৰ্কত যি গোচৰ তৰা হৈছিল সেই গোচৰ কি হল জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— প্ৰশ্নটো অপ্ৰাসংগিক। কাৰণ প্ৰশ্নটো আছিল ভিজিলেন্স চেলৰ সম্পৰ্কতহে।

শ্রীরামেন্দ্র দে :— স্যার, এ কথা কি ঠিক যে কোন কোন অফিসারের বিরুদ্ধে একদিকে তদন্ত হচ্ছে আর অন্য দিকে তারা 'প্রোমোশন' পেয়ে যাচ্ছেন ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— এই সম্পৰ্কত মোৰ হাতত তথ্যপাতি নাই। পিচতহে জনাব

শ্ৰীমুক্তাৰ হুচেইন :— মন্ত্ৰী মহোদয়ে কৈছে যে ভিজিলেন্স চেলটো কেৱল ৰাইজক দেখুৱাবৰ বাবেহে কৰা হৈছিল, তেওঁলোকে কোনো কাৰ্য ব্যৱস্থা হাতত লোৱা নাছিল। বৰ্ত্তমান চৰকাৰে এই চেলটো অধিক কাৰ্যক্ষম কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :- এই চেলটো অধিক কাৰ্যক্ষম কৰিবৰ কাৰণে চৰকাৰে চিন্তা কৰি আছে। এই বিষয়ত কাম হাতত লোৱা হৈছে।

## MISCELLANEOUS

*শ্ৰীগোলোক ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ এটা সজাতি দলে মুখ্যমন্ত্ৰীক তেখেতৰ চেম্বাৰত লগ ধৰি দেশৰ আইন শৃংখলাৰ পৰিস্থিতিৰ বিষয়ে অবগত কৰিছিলো। সেই সময়ত তেখেতৰ চেম্বাৰত গৃহমন্ত্ৰীও উপস্থিত আছিল। এই বিষয়ত কাগজত এটা বিবৃত্তি দিবলৈ কোৱা হৈছিল। কিন্তু কালি এই বিষয়ত আলোচনা হোৱাৰ পিচতে যোৱা কালি ৰাতি ৰাজিবাৰ মেচাগড়ৰ শ্ৰীহৰেণ কোঁৱৰ নামৰ এজন চাকৰিয়ালকে ধৰি তেখেতৰ পৰিবাৰ আৰু জীয়েকক ৰাজনৈতিক কাৰণত হত্যা কৰা হৈছিল। এই কথাত আমি উদ্বেগ প্ৰকাশ কৰিছো। কাৰণ মুখ্যমন্ত্ৰীৰ লগত আলোচনা হোৱাৰ পিচতে এইটো ঘটনা হৈছে। এই সম্পৰ্কত মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু আজিৰ ভিতৰতে এই সম্পৰ্কত সদনত এটা বিবৃত্তি দিবলৈ অনুৰোধ জনাইছো।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আমি এতিয়ালৈকে একো খবৰ পোৱা নাই। খবৰলৈ সদনক জনাম।

শ্ৰীজয়নাথ শৰ্মা :— এইটো পৰিপূৰক প্ৰশ্ন কৰিছেনে বেলেগ প্ৰশ্ন কৰিছে ?

মাননীয় অধ্যক্ষ :— জিৰো আৱাৰত কৈছে।

শ্ৰীহেমেন দাস :— 'জিৰ' আৱাৰত অধ্যক্ষৰ অনুমতি লৈ যিকোনো কথাই পৰিস্থিতি সাপেক্ষে সদনত উত্থাপন কৰিব পাৰে।

যি কোনো কাৰণতেই নহওক হত্যা কৰা হৈছে আৰু হত্যাৰ ওক আমি সকলোৱে নিন্দা কৰা উচিত্। চৰকাৰে এই বিষয়ে সোনকালে খবৰ আনক। আমি খবৰ পাইছো হাবিভাঙাত এজন আৰু নলবাৰীৰ ওচৰৰ এজন মানুহক হত্যা কৰা হৈছে। এইবোৰ হত্যাকাণ্ডৰ কথা সদনত উত্থাপিত হৈছে, আমি আশা কৰো চৰকাৰে সোনকালেই খবৰ আনি সদনক জানিবলৈ দিব।

শ্ৰীভবেন্দ্ৰ কুমাৰ ভড়ালী :— ওপৰোক্ত ব্যক্তি গৰাকীয়ে ৰাজনৈতিক কাৰণত হত্যা কৰা হৈছে বুলি কোৱা কথাটো উঠাই লব লাগে।

শ্ৰীগোলোক ৰাজবংশী :— সেই কাৰণে গৃহমন্ত্ৰীৰ পৰা আমি জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ :— এই সম্পৰ্কে বিভাগীয় মন্ত্ৰীয়ে পিচত কব বুলি কৈছে, গতিকে এইটো প্ৰসঙ্গ আমি ইয়াতে সামৰিছো।

## CALLING ATTENTION

Shri ARDHENDU KUMAR DEY—In order to enhance the activities in the cultural sphere of this region, this cultural organisation has been established at Santiniketan so that the people from all corner of the country can participate there. Even the inhabitants of the North Eastern region can participate to acquire knowledge on different cultural aspects. So, I request the Minister-in-charge to clarify this.

*Speech not corrected

"প্রান্তিয় সমাচায়— ৪ জানুয়ারী, ১৯৮৬ ইং কলকাতার কাছে শান্তি নিকেতনে প্রস্তাবিত পূর্ব ভারত সাংস্কৃতিক কেন্দ্র গড়ে তোলার কাজে অসম গণপরিষদ সরকায় কোন অর্থ দেবে না। প্রয়াতা প্রধানমন্ত্রী ইন্দিরা গান্ধীর নামে কথিত ঐ কেন্দ্রের নির্মাণে পূর্বোত্তর অঞ্চলের প্রতিটি রাজ্য ও কেন্দ্র শাসিত অঞ্চলের সরকার এক কোটি টাকা করে চাঁদা দেবার এ রকম অঙ্গীকার করাছিল। গণপরিষদ সরকার পূর্ব সূরী সরকারের ঐ প্রস্তাব নাকচ করে দিয়ে বলেছেন রাজ্যের আর্থিক অবস্থার প্রেক্ষিতেই এই ব্যবস্থা নেয়া হল।

গণপরিষদ সরকারের এই সিদ্ধান্তে অসম সাহিত্য সভা খুশি। সভার সভাপতি ডাঃ বীরেন্দ্র কুমার ভট্টাচার্য্য রবিবার এখানে এক বিবৃতিতে সাধুবাদ জানিয়ে বলেছেন, আসামের বৈচিত্রময় সংস্কৃতির উন্নতিই হবে কাজের কাজ এবং এর ফল হবে সুদূর প্রসারী। শান্তিনিকেতনে প্রস্তাবিত অর্থ যোগান না দিয়ে এই রাজ্যের সাহিত্য সংস্কৃতির বিকাশ সাধনে ঐ টকা ব্যয় করা বিশেষ ফলদায়ক হবে। বিকশিত হবে আসামের এক বৈচিত্রপূর্ণ নতুন সংস্কৃতি।"

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদসন শ্রীঅৰ্ধেন্দ্ৰু কুমাৰ দে আৰু শ্ৰীশান্তি ৰঞ্জন দাস গুপ্তই যোৱা ৪ জানুৱাৰী তাৰিখে 'প্ৰান্তীয় সমাচাৰ' বাৰ্তাৰ কাকতত প্ৰকাশিত 'বৰ্ত্তমান চৰকাৰে ইন্দিৰা সাংস্কৃতিক কেন্দ্ৰলৈ কোনো বৰঙণি নিদিয়ে' শীৰ্ষক বাৰ্তাৰটোৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত কৰিছে। এই সম্পৰ্কত প্ৰকাশিত তথ্য তলত দাঙি ধৰা হল—

'ইন্দিৰা সাংস্কৃতিক কেন্দ্ৰ' নামৰ কোনো সাংস্কৃতিক কেন্দ্ৰ খোলাৰ কথা চৰকাৰে নজানে। গতিকে, এনে কেন্দ্ৰলৈ কোনো আৰ্থিক বৰঙণি দিয়াৰ প্ৰশ্ন নুঠে।

অৱশ্যে ভাৰত চৰকাৰে গোটেই দেশখনত কেইটামান আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰ খোলাৰ আচনি লৈছে। এই আঞ্চলিক কেন্দ্ৰসমূহ খোলাৰ মুখ্য উদ্দেশ্য হল অঞ্চল সমূহৰ থলুৱালোক আৰু জনজাতীয় সংস্কৃতিৰ সংৰক্ষণ আৰু উন্নয়ন কৰা আৰু সাংস্কৃতিক বিনিময়ৰ যোগেৰে জাতীয় সংহতি সুদৃঢ় কৰা।

যোৱা বছৰ আঠ মে' তাৰিখে পশ্চিমবঙ্গৰ শান্তি নিকেতনত হোৱা এখন সভাত অসম, বিহাৰ, মনিপুৰ, উৰিষ্যা, চিকিম, ত্ৰিপুৰা আৰু পশ্চিমবঙ্গক লৈ সাংস্কৃতিক কেন্দ্ৰ খোলা সম্পৰ্কে আলোচনা কৰা হয়। এই আলোচনাত উল্লেখিত ৰাজ্য কেইখনক এই কেন্দ্ৰত অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হয়। এই কেন্দ্ৰ বিলাকৰ পৰিচালনাৰ দায়িত্ব অংশ গ্ৰহণকাৰী ৰাজ্য চৰকাৰৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি সকলৰ দ্বাৰা গঠিত ন্যাসৰ দ্বাৰা কৰা হব।

১৯৮৫ চনৰ ৫ ডিচেম্বৰ তাৰিখে ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে বৰ্ত্তমান ৰাজ্য চৰকাৰৰ পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰ' শান্তি নিকেতন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে। অসমে অংশ গ্ৰহণ কৰা বিষয়টো পৰ্য্যালোচনা কৰে। আমাৰ ৰাজ্যখনত আৰু উত্তৰ-পূৰ্বাঞ্চলত থকা ৰাজ্যসমূহত সাংস্কৃতিক দিশত পৰম্পৰাগত যোগসূত্ৰ আছে আৰু ইয়াৰ সম্পূৰ্ণ ঐতিহ্য ৰাখি সংৰক্ষণ আৰু উন্নয়ন কৰিবলৈ হলে এই অঞ্চলৰ বিভিন্ন জনগোষ্ঠী আৰু সাংস্কৃতিৰ মাজত সাংস্কৃতিক সমন্বয়ৰ এনাজৰীডাল টনকিয়াল কৰিব লাগিব। সেয়েহে আমি শান্তি নিকেতনত স্থাপিত হোৱা 'পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰ'তকৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত গঠিত হব খোজা প্ৰস্তাৱিত সাংস্কৃতিক কেন্দ্ৰটোতহে যোগদান কৰিবলৈ বিবেচনা কৰিছো।

এইখিনিতে উল্লেখ কৰিব পাৰি যে উক্ত কেন্দ্ৰত অসমৰ গাতে লাগি থকা ৰাজ্য অৰুণাচল, মিজোৰাম, মেঘালয়, নগালেণ্ডও যোগদান দিবলৈ সুবিধা হব।

*Speech not corrected

অসম চৰকাৰৰ ফালৰ পৰা "পূৰ্বাঞ্চল" সাংস্কৃতিক কেন্দ্ৰলৈ এক কোটি টকাৰ কোনো অনুদান দিয়া হোৱা নাই।

শান্তিৰঞ্জন দাস গুপ্ত:— এই সাংস্কৃতিক কেন্দ্ৰটোলৈ সাহাৰ্য্য দিয়াৰ কাৰণে চৰকাৰে কিবা বিবেচনা কৰিছে নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী):— যিহেতু ইয়াত আটাই কেইখন ৰাজ্যলৈ এটা সাংস্কৃতিক কেন্দ্ৰ হব আৰু প্ৰয়োজন হলে আমাৰ ৰাজ্য বিলাকত তেনে ধৰণৰ নমুনা আনি এইটো উন্নত কৰাৰ ব্যৱস্থাহে হাতত লোৱা হব। গতিকে বিবেচনা কৰাৰ কথা নাই।

## MATTER UNDER RULE 301

Mr. SPEAKER—Now zero hour is over.

Shri BINAI KHUNGUR BASUMATARI—I beg to raise a matter under Rule 301 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Assam Tribune dated 4th January, 1986 under the caption "Assam Government in tight financial position.".

Sir, during the Budget Session discussions of 1985-86, we were told that the overdraft position of the State was eliminated. When the budget for this year started, we had 68 crores of overdraft. But we were told subsequently on the Floor of the House that the overdraft has been completely eliminated Just after the new Government came to power, in a span of 10 days, we are very surprised to know that we ran into an overdraft of Rs. 31.89 crores. We would, therefore, like to know whether the earlier statement made by the previous Government is correct and if it is correct whether the new Government has managed to spend Rs. 31.89 crores within a span of 10 days. That is the point I wish to raise.

* Shri PRAFULLA KUMAR MAHANTA, Chief Minister Hon'ble Member Shri B. K Basumatari has by his notice. under rule 301 of the Rules of Procedure and conduct of Business in the Assam Legislative Assembly brought to the Notice the Government. of the news item which appeared in Assam Tribune of 4th January, 1986 regarding the financial position of the Government.

In the issue of Assam Tribune dated 4th January 1986 a news item has appeared which reported Rs. 31.89 crores as the overdraft position of State. The same report has also indicated that State Government can go for

overdraft upto an amount of Rs. 50 crores covering a period of 5 years and since Overdraft to the extent of Rs. 31.89 crores has already been taken resort to, further overdraft upto Rs. 28.11 crores will be available for the remaining five years. The correct position is indicated below:—

When the State Budget 1985-86 was presented before this House on 11th March 1985 the opening balance was estimated at (—) Rs. 140.25 crores. When the Annual Plan 1985-86, was finalised afterwards, the closing balance for the year 1984-85 i. e. the opening balance of 1985-86 was assessed at (—) Rs. 60.10 crores. In the the meantime, the Government of India decided in February 1985 that the State Governments should not exceed the overdraft position as on 28th January 1985. Assam Government's overdarft with the Reserve Bank on India on 28th January 1985 was Rs. 31.34 crores. This decision meant that the State Government could avail of overdraft, if required, only upto Rs. 31.34 crores. The Government of India also stipulated that the overdraft limit of Rs. 31,34 crores was also to be progressively wiped out by way of economy. In 1985–86 itself 10% of Rs. 31.34 crores i.e. Rs. 3.13 crores was to be wiped out The overdraft limit therefore comes down from Rs. 31. 34 crores to Rs. 28.21 crores after 10%reduction (31.34-3.13=28.21). Thus the uncovered gap over the reduced (60.10-28.21). Out of the gap of Rs. 31.89 crores overdraft limit stood at Rs. 31.89 crores an amount of Rs. 28.76 crores has been allowed by Government of India as additional Central Assistance and the balance of Rs. 3.13 crores is to wiped out by the State Government by way of economy.

Earlier in April 1985 the Government of India granted a temporary ways and means advance of Rs. 90 crores to contain State Government's overdraft. This ways and Means advance has been subsequently converted into medium term loan. Thus the total loan granted during the year 1985-86 uptil now for covering deficit in resource and to stop overdraft is Rs. 118.21 crores (28.21 +90.00=118.21) excluding the additional central assistance of Rs. 28.76 crores.

*Speech not corrccted

There is at present no over-draft with the Reserve Bank of India by the State Government.

Shri BINAI KHUNGUR BASUMATARI.—Sir, it appears that there is no over-draft at the moment. That is the correct position.

Shri PRAFULLA KUMAR MAHANTA (Chief Minister).-- এইটো কথা সচাঁ যে বৰ্ত্তমান অভাৰ ড্ৰাফট নাই।

Shri BINAI KHUNGUR BASUMATARY : Then how this news came out which had worried us ?

Mr. SPEAKER.—The news may not be correct.

Shri BINAI KUMAR BASUMAUARY.—When there is no over-draft how then this news could be published that there is an over-draft of Rs. 31.34 crores ?

## MOTION FOR ELECTION OF MEMBERS TO UNIVERSITY COURT

মাননীয় অধ্যক্ষ :— ৪ নং কাৰ্য্যসূচী অনুযায়ী শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামীয়ে প্ৰস্তাৱ উত্থাপন কৰিব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, "এই সদনে এতদ্বাৰা অদ্যবধি সংশোধিত ১৯৪৭ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আইনৰ ৯(১) নং ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ জন সদস্য গুৱাহাটী বিশ্ববিদ্যালয় আদালতৰ সদস্য হবৰ বাবে নিৰ্বাচন কৰিব।

১৯৮৫ চনৰ ১৮ আগষ্ট তাৰিখত ৭ ম অসম বিধান সভা ভংগ হোৱাৰ ফলত এই আসন কেইখন খালি হৈছিল। অসম বিধান সভাৰ সদস্য সকলে গুৱাহাটী বিশ্ববিদ্যালয় আদালতৰ সদস্য হিচাপে কাৰ্য্যাবিৰ্বাহ কৰিব।"

(আৱশ্যক হলে সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব।)

মাননীয় অধ্যক্ষ :— শিক্ষামন্ত্ৰীয়ে উত্থাপন কৰা প্ৰস্তাৱটো হল যে "এই সদনে এতদ্বাৰা অদ্যবধি সংশোধিত ১৯৪৭ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় আইনৰ ৯(১) নং ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ জন সদস্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদালতৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব।"

১৯৮৫ চনৰ ১৮ আগষ্ট তাৰিখত ৭ ম অসম বিধান সভা ভংগ হোৱাৰ ফলত এই আসন কেইখন খালী হৈছিল। অসম বিধান সভাৰ সদস্য সকলে গুৱাহাটী বিশ্ববিদ্যালয় আদালতৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব"।

(আৱশ্যক হলে সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব।)

(প্ৰস্তাৱটো সদনত পাছ হয়।)

মাননীয় অধ্যক্ষ :— শিক্ষামন্ত্ৰীয়ে প্ৰস্তাৱ উত্থাপন কৰিব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, "এই সদনে এতদ্বাৰা অদ্যাৱধি সংশোধিত ১৯৬৫ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনৰ ১৫(১) নং ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ জন সদস্য হবৰ বাবে নিৰ্বাচন কৰিব।

১৯৮৫ চনৰ ১৮ আগষ্ট তাৰিখত ৭ ম অসম বিধানসভা ভংগ হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসন কেইখন খালী হৈছিল। অসম বিধানসভাৰ সদস্য সকলে ডিব্ৰুগড় বিশ্ববিদ্যালয় আদালতৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব"।

(আৱশ্যক হলে সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব।)

মাননীয় অধ্যক্ষ :— প্ৰস্তাৱটো হল "এই সদনে এতদ্বাৰা অদ্যাৱধি সংশোধিত ১৯৬৫ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনৰ ১৫(১) নং ধাৰাৰ অধীনত অসম বিধান সভাৰ সদস্য সকলৰ মাজৰ পৰা ৭ জন সদস্য ডিব্ৰুগড় বিশ্ববিদ্যালয় আদালতৰ সদস্য হবৰ বাবে নিৰ্বাচন কৰিব।

১৯৮৫ চনৰ ১৮ আগষ্ট তাৰিখত ৭ম অসম বিধান সভা ভংগ হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসন কেইখন খালী হৈছিল। অসম বিধান সভাৰ সদস্য সকলে ডিব্ৰুগড় বিশ্ববিদ্যালয় আদালতৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰব"।

(আৱশ্যক হলে সচিবে নিৰ্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব।)

(প্ৰস্তাৱটো সদনত পাছ হয়।)

## DEBATES ON GOVERNOR'S ADDRESS

*শ্ৰীমকবুল হুচেইন :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সন্দৰ্ভত মই কবলৈ ওলাইছো কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ওপৰত। কাৰণ ৰাজ্যপালৰ ভাষণত কৃষি বিষয়ত বিশেষ গুৰুত্ব দিয়া হৈছে। কিন্তু তথাপিও আমি দেখিবলৈ পাইছো তাত বহু আৱশ্যকীয় কথা বাদ পৰি গৈছে। অসম খন কৃষি প্ৰধান দেশ, ইয়াৰ শতকৰা ৮০ জন মানুহেই কৃষক। এই কৃষকৰ ওপৰত যদি আমাৰ বিশেষ গুৰুত্ব আৰোপ কৰা নহয় তেনেহলে আমাৰ ভৱিষ্যত মংগল হব নোৱাৰে। পূৰ্বতে কৃষিৰ শিতানত যদিও কোটি কোটি টকা ধৰা হৈছিল কিন্তু দুখীয়া খেতিয়ক ইয়াৰ উপকাৰ ভোগ কৰিব নোৱাৰিছিল। কৃষিৰ ক্ষেত্ৰত যিবোৰ আৰ্চনি লোৱা হৈছিল আমি দেখিছো বাজেটত খৰচৰ আৰ্চনি তৈয়াৰ কৰিছিল কিন্তু তেওঁলোকৰ এইখিনিও জ্ঞানৰ উদয় হোৱা নাছিল যে বছৰি কৃষিৰ শিতানত কিমান টকা ধৰিব লাগিব এইখিনিও নাজানিছিল। এই অনভিজ্ঞতাৰ কাৰণেই বছৰি ৩ বা ৪ বাৰ পৰ্য্যন্ত খৰচৰ তালিকা প্ৰস্তুত কৰিব লগা হয়।

ইয়াৰ ফলত কৃষিৰ যি অগ্ৰগতি হব লাগিছিল তেনেধৰণে হোৱা নাই। টকা খৰচ হৈছে কিন্তু তেনেধৰণৰ কোনো অগ্ৰগতি হোৱা নাই। বাজেটত বাৰ বাৰ কৃষিৰ শিতানত টকা ধৰিব লগীয়া হৈছে। অথচ কৃষক সকল কিন্তু কোনো ধৰণে উপকৃত হব পৰা নাই। ৰাজ্যপালৰ ভাষণত এইটো কথা কোৱা হৈছে যে, কৃষক সকলক সাৰৰ যোগান ধৰা হব। কিন্তু ইমান দিনে কোটি কোটি টকা খৰচ কৰি থকা স্বত্বেও জনসাধাৰণৰ অৰ্থাৎ কৃষক ৰাইজৰ কোনো উন্নতি সাধন হোৱা নাই। গতিকে এক্সপাৰ্ট সকলে ভাল ধৰণৰ সাৰ প্ৰয়োগৰ দিহা দিব লাগে। কিন্তু যদি সাৰ দিলে খেতিৰ উৎপাদন শক্তি কমিহে যায় তেনেহলে সেই সাৰৰ পৰা কি কামত আহিব। কোটি কোটি টকা খৰচ কৰিলেও তাৰ পৰা খেতিৰ উন্নতি হব নোৱাৰে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত মৰাপাট আৰু গমৰ কথা একেবাৰে বাদ দিয়া হৈছে। তেল উৎপাদনৰ বৃদ্ধিৰ কথা উল্লেখ কৰা হৈছে। ৰাজ্যপালে এই ব্যৱসায় ভিত্তিক খেতিৰ কথা উল্লেখ কৰিছে। এইটো এটা দুখৰ কথা। আমি বাস্তৱমুখী কথাহে চিন্তা কৰিব লাগিব। আজি অসমৰ শতকৰা ষাঠি ভাগ কৃষকে দুবেলা দুমুঠি খাবলৈ নাপায়। তেনে অৱস্হাত কমাৰ্চিয়েল বেঁচিচৰ কথা কলে কেনেকৈ হব। এইবিলাক কথা চিন্তা নকৰি মৰাপাটৰ কথা বা তেনে ধৰণৰ উন্নতিৰ কথা ৰাজ্যপালৰ ভাষণত গুৰুত্ব দিয়া নহল। মৰাপাটৰ ওপৰত গুৰুত্ব নিদিলে কৃষিৰ উন্নতি হব নোৱাৰে। এতিয়া বজাৰত মৰাপাটৰ প্ৰতি মোনত তিনিশ টকা বজাৰ আছে। কিন্তু চৰকাৰে যেতিয়া সেই মৰাপাট সংগ্ৰহ কৰিব বা চৰকাৰৰ ভড়াললৈ যেতিয়া সেই মৰাপাট যাব তাৰ দাম ষাঠি টকাহে হয়। ইয়াৰ দ্বাৰা কৃষকক শাস্তিহে দিয়া হৈছে। কৃষকৰ হাতত যেতিয়া শস্য থাকে তেতিয়া তাৰ দাম কমি থাকে আৰু বজাৰত মহাজনৰ হাতলৈ শস্য গলেই তাৰ দাম বাঢ়ি যায়। গতিকে দেখা যায় কৃষকৰ প্ৰতি কাৰো দৃষ্টিপাত নাই। খেতিয়কে খেতি কৰে কিন্তু লাভবান হয় মহাজন। গতিকে আমি আশা কৰো খেতিয়কে যাতে তেওঁলোকে উৎপাদন কৰা কৃষিজাত সামগ্ৰীৰ পৰা শাস্তি ভোগ কৰিব লগীয়া নহয় তাৰ কাৰণে উচিত মূল্য নিৰ্ধাৰণ কৰিব লাগে। আমাৰ অসমত এটা মৰাপাট কল আছে। সেইটোও কাৰ্য্যক্ষম নাছিল এতিয়া যেনিবা কাৰ্য্যক্ষম কৰা হৈছে। এটা মৰাপাটৰ কলেই যথেষ্ট নহয়। আৰু এটা মৰাপাট কল স্হাপন কৰিবলৈ ব্যৱস্হা কৰিলে সুবিধা হব। ৰাজ্যপালৰ ভাষণত নিৰামীষ ভোজন অৰ্থাৎ ছয়াবীনৰ কথাত গুৰুত্ব আৰোপ কৰা হৈছে। কৃষকৰ দুখ দুৰ্দ্দশাৰ প্ৰতি গুৰুত্ব নিদি ছয়াবীন খেতি উন্নত কৰাৰ কাৰণে আৰ্চনি গ্ৰহণ কৰিবলৈ কিয় গুৰুত্ব দিলে মই বুজিব পৰা নাই। কৃষি শিতানত টকা ধৰা হয় যথেষ্ট। তাৰ কাৰণে ঔষধ পাতিবো ব্যৱস্হা থকা দেখা যায় কিন্তু এই গোটেই বিলাক টকা অপব্যয়হে হৈ আছে। কেইজনমান ব্যক্তিগত বিভাগীয় কৰ্ত্তৃপক্ষই আত্মসাৎ কৰি আছে। আজি খেতিৰ কাৰণে জনসাধাৰণে একেবাৰে ঔষধ পোৱা নাই। কাগজে কলমে বাজেটৰ শিতানত দেখা যায় বহুত টকা ধৰা হৈছে। আচলতে কাৰ্য্যত সেইবিলাক পৰিণত নহয়। বহুত বিলাক বস্ত কৃষকক বেহাই মূল্যত দিয়াৰ ব্যৱস্হা আছে। কিন্তু যিবিলাক বস্ত কৃষকক বেহাই মূল্যত দিয়া হয় সেইবিলাক বস্তৰ দাম বজাৰত কম। বেহাই মূল্যত দিয়া বস্ত বিলাকৰ ক্ষেত্ৰত কৃষকে বেঁছি দামহে ভৰিবলগীয়া হয়। আজি যদি শস্যৰ ওপৰত শতকৰা পচিশ ভাগো বেহাই দিয়া হয় তথাপিও বজাৰৰ মূল্যতকৈ ই বেছি হৈয়েই থাকে। ইয়াৰ দ্বাৰা খেতিয়কক ভুৱাহে দিয়া হৈছে। কৃষকৰ নামত লাখ লাখ টকা আত্মসাৎ কৰা হৈছে। কৃষকৰ কাৰণে কৃষি সা-সজুলি স্প্ৰে কৰাৰ কাৰণে যন্ত্ৰপাতি আদ ও দিয়া হৈছে কিন্তু গ্ৰামলৈৰকৰ ওচৰলৈ গলে দেখাযায় যে তেওঁলোকে এই স্প্ৰে মেচিন আদিৰ যোগান ধৰিব নোৱাৰে। খেতিয়কৰ নামত এইবিলাক প্ৰহসন মান। আৰু এটা কথা আই-আৰ-ডি-পি ৰযোগেদি খেতিয়কক উপকৃত কৰিবলৈ আৰ্চনি গ্ৰহণ কৰা হৈছে। কিন্তু এই আৰ্চনিৰ দ্বাৰা খেতিয়ক যি ধৰণে উপকৃত হব লাগিছিল সেই ধৰণে হোৱা নাই। মোৰ বোধেৰে কিঞ্চিৎ মানো উপকৃত হোৱা নাই। কৃষকক ঋণ দিয়াৰ ব্যৱস্হা আছে

কিন্তু ঋণৰ নামত খেতিয়কে ব্লকে ব্লকে, বেংকে বেংকে ঘূৰি ফুৰিবলগীয়া হৈছে। অহা যোৱাৰ বাবদ যিমান খিনি খৰচ কৰিবলগীয়া হয় তাৰ তুলনাত ঋণৰ টকা কমহে পায়গৈ।
আৰু আৰ-এল-ই-জি-পি ইত্যাদি নানান ধৰণৰ আৰ্চনি উলিয়াইছে যদিও আচলতে ইয়াৰ দ্বাৰা শতকৰা দহ ভাগো কৃষক উপকৃত হব পৰা নাই।

মাননীয় অধ্যক্ষ :— আপুনি আৰু এক মিনিটহে কব।

শ্ৰীমকবুল হুছেইন :— অধ্যক্ষ মহোদয়, এন-আৰ-ই-পি আৰু আৰ-এল-ই-জি-পি আৰ্চনি কাৰ্য্যকৰী কৰিবলৈ যাওতে কোনো ধৰণৰ টেণ্ডাৰ কল নকৰাকৈয়ে কাম বিলাক বণ্টন কৰি দিছে। ফলত আৰ্চনিৰ ধন ঠিকমতে কামত খটুৱা হোৱা নাই আৰু টকা বিলাক আত্মসাৎ কৰিবলৈ সুবিধা পাইছে। এই আৰ্চনিৰ অধীনত তৈয়াৰ কৰা দলং আদিত অকাঠ ব্যৱহাৰ কৰি ভাৰ ঠাইত ভাল কাঠৰ দাম লৈছে। দলং বিলাক কম দিনৰ ভিতৰতে ভাঙি পৰিব। সেই বিলাক কথালৈ চকু ৰাখিবলৈ মই চৰকাৰক অনুৰোধ জনালো। সকলো আৰ্চনিৰ জৰিয়তে জনসাধাৰণ যাতে উপকৃত হব পাৰে তাৰ আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীগোবিন্দ কুমাৰ বৰুৱা ঃ- মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যেই ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাই যি ধন্যবাদ সূচক প্ৰস্তাৱ আগবঢ়াইছে এই প্ৰস্তাৱৰ সমৰ্থনত মই কব বিচাৰিছো যে মাননীয় ৰাজ্যপালৰ ভাষণৰ দ্বাৰা অসমত বসবাস কৰা বিভিন্ন ভাষা, ধৰ্ম্ম, সম্প্ৰদায়, বৰ্ণৰ লোকৰ মাজত এক সমন্বয় আৰু ঐক্য সৃষ্টি কৰাৰ আশ্বাস দিয়া হৈছে। আজিৰ পৰা কিছুদিন আগলৈকে আমাৰ মাজত সন্দেহৰ ভাব আছিল, দুৰ্বলতা আছিল আৰু ইজনে সিজনক বিশ্বাস কৰিবলৈ টান পাইছিলো। এই বিলাকৰ কাৰণে জনসাধাৰণ দায়ী নাছিল, দায়ী আছিল আগৰ চৰকাৰ আৰু প্ৰশাসন যন্ত্ৰ। কিন্তু আজি দৰাচলতে দেখা গৈছে অসমৰ বিভিন্ন ধৰ্ম্ম ভাষা বা সম্প্ৰদায়, বৰ্ণ আদিৰ মাজত সমন্বয় আৰু সংহতি গঢ়ি উঠিছে আৰু ৰাজ্যপালৰ ভাষণত এই বিষয়ে স্পষ্ট ভাবে প্ৰতিফলিত হৈছে। তাৰ বাবে আমি সুখী হৈছো। আমি অতি সুখী যে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত নিয়োগ সম্পৰ্কত এক নিৰপেক্ষ আৰু গণতান্ত্ৰিক নীতি গ্ৰহণ কৰা হব বুলি আশ্বাস দিছে। কিন্তু ইয়াৰ আগৰ চৰকাৰৰ দিনত নিয়োগ সম্পৰ্কত এক পক্ষীয় নীতি গ্ৰহণ কৰা হৈছিল। আৰু এনেকুৱা এটা পৰিবেশ কৰিছিল যে প্ৰাইমাৰী বিদ্যালয় য'ত নেকি ৪ টা শ্ৰেণী থাকে তাত মাত্ৰ ৪ বা ৫ জন শিক্ষক হলেই হয় তাতকৈ বহুত বেছি শিক্ষক নিয়োগ কৰিছিল। দেখা যায় আমোলাপট্টি প্ৰাইমাৰী বিদ্যালয়ত চাৰিটা শ্ৰেণীৰ বাবে খুব বেচি ৪ জন বা তাত ৫ জন শিক্ষক বাবে তাত ১৩ জন শিক্ষক নিয়োগ কৰা হৈছে। আমি জনাত তাত ৭ জন শিক্ষক আছিল কিন্তু নিৰ্ব্বাচনৰ আগে আগে অতিৰিক্ত আৰু ৬ জন শিক্ষকক তাত নিয়োগ কৰা হল। ঠিক তেনেদৰে কচুখোৱা প্ৰাইমাৰী বিদ্যালয়ত ৪ জন শিক্ষক হলেই যথেষ্ট হয় কিন্তু তাত ১১ জন শিক্ষক আছে। আন এটা উদাহৰণ মই দিব বিচাৰিছো—হালোগাওঁ উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ এজন কাৰ্য্যালয় সহায়কে তিনি হাজাৰ টকাৰ ঠাইত শূন্য এটা লগাই দি ত্ৰিশ হাজাৰ টকা ট্ৰেজাৰীৰ পৰা লৈ উধাও হ'ল আৰু তাৰ বাবে তেওঁৰ জেলো হৈছিল। কিন্তু যোৱা চৰকাৰৰ দিনত এইজন অপৰাধীকেই প্ৰমোচন দি আউনীআটি উচ্চ ইংৰাজী বিদ্যালয়ত কাৰ্য্যালয় সহায়ক হিচাবে নিয়োগ কৰিলে। যোৱা চৰকাৰৰ দিনত শিক্ষা বা আন আন বিভাগত নিয়োগ নীতি আদিৰ লগতে আন আন ক্ষেত্ৰত যি মৰ্য্যদা ৰক্ষা কৰিব লাগিছিল সেইটো ৰক্ষা কৰাত ব্যৰ্থ হৈছে। সেইকাৰণেই ৰাজ্যপালৰ ভাষণত নিয়ম নীতি সম্পৰ্কত যি গণতান্ত্ৰিক আৰু নিৰপেক্ষ নীতি নিয়ম কৰা হব বুলি আশ্বাস দিছে তাৰ কাৰণে আমি সুখী হৈছো। ইয়াৰ পাচত ৰাজ্যপালৰ ভাষণত ওচৰ চুবুৰীয়া ৰাষ্ট্ৰৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি তোলাৰ কাৰণে যি আশ্বাস দিছে তাৰ কাৰণে সুখী হৈছো। আমি জনাত অসম আৰু নগালেণ্ডৰ সীমাত মেৰাপানীত সৃষ্টি হোৱা সংঘৰ্ষত আমি বাৰ্তাৰ কাকতৰ জৰিয়তে জানিবলৈ পোৱা আগৰ চৰকাৰ প্ৰত্যক্ষ বা পৰোক্ষ ভাবে জড়িত আছিল। বাৰ্তাৰ কাকতত পঢ়িবলৈ পাইছো যে যোৱা শাসনাধিষ্ঠ দলে এই দুখন ৰাজ্যৰ বিবাদৰ ক্ষেত্ৰত স্থায়ী মীমাংসা কৰাত ব্যৰ্থ হ'ল। চৰকাৰে অসমৰ পুলিচ বাহিনীকো ৰক্ষা কৰিব নোৱাৰিলে আৰু সীমা বিবাদ আজিও থাকি গ'ল। অসম, নগালেণ্ড, মেঘালয়, অৰুণাচল আদি ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সীমা বিবাদ বন্ধ কৰা আৰু মধুৰ সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যি ইংগিত দিছে তাৰ বাবে আমি সুখী হৈছো। আন এটা কথাত আমি সুখী হৈছো যে ভাষণত উল্লেখ কৰা মতে দুৰ্নীতি দূৰ কৰা হব। এই সদনতেই উল্লেখ কৰা হৈছে যে চাকৰীৰ নিয়োগৰ ক্ষেত্ৰত কোনো কোনো মন্ত্ৰী, বিধায়কে ১৫/২০ হাজাৰ টকা যোৱা চৰকাৰৰ দিনত ললে। আমি জনাত সেইখিনি সময়ত চাকৰীৰ ডাক দিয়া হৈছিল। বজাৰ যেনেকৈ ডাক দিয়া হয় ঠিক তেনেকৈ চাকৰিও ডাক দিয়া হৈছিল। কোনোবা এজনে যদি ১৭ হাজাৰ দিয়ে তাৰ পাচত দেখাযায় যে সেইটো চাকৰিৰ কাৰণেই আন এজনে ২৪ হাজাৰ দিয়ে আৰু তাৰ পাচত আন কোনোবা এজনে যদি ২৮ হাজাৰ দিয়ে তেনেহলে তেওঁকেই চাকৰি দিছিল। আজিৰ চৰকাৰ এই দুৰ্নীতি দূৰ কৰিবৰ কাৰণে আশ্বাস দিয়াত মই অত্যন্ত সুখী হৈছো আৰু ৰাজ্যপালৰ ভাষণতো এইটো স্পষ্ট ভাবে মতামত প্ৰকাশ কৰাৰ কাৰণে আমি আৰু অতি বেচি সুখী হৈছো। ন্যায় পালিকাৰ ক্ষেত্ৰতো একেই মতামত প্ৰকাশ কৰা হৈছে, যোৱা ১৯৮৩ চনত গুৱাহাটীৰ আদালতত এজন যুৱকক ন্যায়িক দণ্ডাধীশৰ সন্মুখতে পুলিচে কোবাইছিল। আনকি এজন অধিবক্তাকে কোবাইছিল। ফলত অসমৰ অধিবক্তা সকলে আদালত বৰ্জন কৰিবলৈ বাধ্য হৈছিল। কিন্তু এই বিলাকৰ কোনো বিচাৰ নহল। আজি এইদৰে দেখা যায় যে যোৱা চৰকাৰৰ দিনত প্ৰশাসন যন্ত্ৰটো নিজৰ দলীয় স্বাৰ্থত

*Speech not corrected

ব্যৱহাৰ হৈছিল। আজি এই কথাও সদনত আলোচনা কৰা হৈছিল যে আইন শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। যোৱা চৰকাৰৰ দিনত ১৯৮১ চনৰ ১৯ জুনত এজন যুৱকক হত্যা কৰাৰ বাবে হত্যাকাৰী এজনে চি, আৰ, পি ডি,আই, জিৰ অৰ্ডাৰ মতে নগদ ৩৫০ টকাৰে পুৰস্কাৰ কৰা হৈছিল আৰু ২৫০ টকাকৈ প্ৰতি জোৱানক পুৰস্কাৰ দিয়া হৈছিল। এই মৃত যুৱক জনৰ নাম আছিল ধ্ৰুৱজ্যোতি নাথ। মানুহ মাৰিলে পুৰস্কাৰ দিবলৈ উৎসাহিত কৰা যোৱা চৰকাৰে আজি প্ৰশাসন ব্যৰ্থ হৈছে বুলি কোৱাৰ অধিকাৰ ক'ত পালে। যিহেতু ২৭ দিন শাসনৰ পাচত নতুন চৰকাৰে দায়িত্বভাৰ লোৱাৰ পাচত আইন শৃংখলা অৱনতি হৈছে বুলি কোৱা কথাৰ কোনো অৰ্থ থাকিব নোৱাৰে।

অধ্যক্ষ মহোদয়, মই ইয়াৰ পিচত আন এটা কথা কব খুজিছো—বিগত চৰকাৰৰ দিনত বহুতো গোচৰ নিষ্পত্তি নোহোৱাকৈ পৰি আছে। তেওঁলোকে কেইবাখনো কমিটি গঠন কৰি দিছিল এই গোচৰবোৰ নিষ্পত্তি কৰিবৰ কাৰণে। কিন্তু সেই সময়ত একো কাম নহল। কিয়নো সেই সময়ৰ চৰকাৰ খনেই আছিল এখন দুৰ্নীতিগ্ৰস্ত চৰকাৰ। এখন গাড়ীৰ ইঞ্জিনটো ভাল নহলে তাত যদি গিয়েৰ দবাই ধকাও হয় তেনেহলে সেই গাড়ী কেতিয়াও চলিব নোৱাৰে। ঠিক সেইদৰে চৰকাৰখনো যদি নিকা নহয় তেনেহলে তাত কিছুমান কমিটি কৰি দি প্ৰশাসন নিকা কৰিবলৈ যোৱাটো একেবাৰে অনৰ্থক। সেই কাৰণে নতুন চৰকাৰক মই অনুৰোধ কৰো এতিয়া আকৌ বিধান সভাৰ কেইজনমান মাননীয় সদস্যক লৈ এখন কমিটি গঠন কৰি দিব লাগে যাতে আগৰে পৰা নিষ্পত্তি নোহোৱাকৈ পৰি থকা এই গোচৰ বোৰ সোনকালে নিষ্পত্তি কৰিব পৰা হয়। যি নহওক, ৰাজ্যপালৰ ভাষণত অসম চুক্তি কাৰ্য্যকৰী কৰাৰ লগতে অসমৰ বিভিন্ন জনগোষ্ঠীৰ উন্নতি সাধন কৰিবলৈ বিভিন্ন আচনি নতুন চৰকাৰে হাতত লোৱাৰ কথা উল্লেখ কৰা হৈছে যদিও ১৯৮৩ চনত সংখ্যালঘু সকলৰ কাৰণে কমিটি গঠন কৰা কথাৰ যি প্ৰতিশ্ৰুতি দিছিল তাক ইয়াত উল্লেখ কৰা হোৱা নাই। কিন্তু ইয়াত সংখ্যালঘু আৰু সংখ্যাগুৰু সকলোৰে কাৰণে উন্নতি সাধন কৰাৰ অৰ্থে উল্লেখ কৰা হৈছে।সেই ফালৰ পৰা মই ভাবো যিখন মাইনৰিটি ডেভেলপমেন্ট বোৰ্ড কৰাৰ কথা আছিল তাৰ কোনো যুক্তি যুক্ততা আমি দেখিবলৈ পোৱা নাই। এইখিনিকে কৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই অনা ধন্যবাদসূচক প্ৰস্তাৱটো মই সমৰ্থন কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

*শ্ৰীফনীৰাম টায়েং :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা দেৱে যি ধন্যবাদসূচক প্ৰস্তাৱ ডাঙি ধৰিছে মই তাক সমৰ্থন জনাই দণ্ডায়মান কৰ বিচাৰিছো। আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণত অসমৰ সকলো শ্ৰেণীৰ লোকৰ উন্নতি কল্পে কেতবোৰ আচনি হাতত লোৱ কথা ভালদৰে প্ৰকাশ পাইছে। এইখিনিতে মই ইয়াৰ আগতে কেইজনমান সদস্যই বিশেষকৈ বিৰোধী সদস্য সকলে সংখ্যালঘু সকলৰ কাৰণে যি আলোচনা ডাঙি ধৰিছে সেই ক্ষেত্ৰত কব বিচাৰো যে প্ৰকৃততে অসমত সংখ্যালঘু কোন? আজি সংখ্যালঘু সকলৰ উন্নতিৰ হকে ইটো আচনি লব লাগে সিটো আচনি লব লাগে আদি কৰি চিঞৰ বাখৰ কৰি আছে যদিও প্ৰকৃততে সেই লোক সকল সংখ্যালঘু হয় নে নহয় তাত মোৰ সন্দেহ আছে। মোৰ সমষ্টি জোনাই মহকুমাতে কিছু সংখ্যক মিচিং আৰু মিৰি মানুহ বসবাস কৰে। এই লোক সকলক জানো প্ৰকৃততে চৰকাৰে সংখ্যালঘু হিচাবে যি মৰ্য্যদা দিব লাগিছিল সেই মৰ্য্যদা দিব পাৰিছে? তেওঁলোকে 'নিখিল অসম উদ্বাস্তু কংগ্ৰেছ' (অল আসাম ৰিফিউজি কংগ্ৰেছ) হিচাবে এটা সংগঠন গঢ়ি তুলিছিল। কিন্তু তেওঁলোকক চৰকাৰে আজিলৈ স্বকৃতি দিয়া দেখা নগল। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদনক জনাব বিচাৰিছো যে আমি এতিয়া সংখ্যালঘু বা সংখ্যাগুৰু আদি ভেদাভেদ পাহৰিবৰ সময় হল আৰু ৰাজ্যপালৰ ভাষণত যিখিনি কথা প্ৰকাশ পাইছে সেইখিনিক কাৰ্য্যত ঠিকমতে ৰূপায়ন কৰিব পাৰিলেই সকলোৱে উন্নতি হব বুলি আশা ৰাখো। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

*শ্ৰীকমলা কলিতা :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ জানুৱাৰীৰ দিনা মাননীয় ৰাজ্যপাল দেৱে যি ভাষণ এই বিধান সভাত আগবঢ়ালে তাৰ প্ৰতি মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাদেৱে যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে তাকো মই পূৰ্ণ

*Speech not corrected

সমৰ্থণ জনাইছো। যোৱা ১৬ ডিচেম্বৰত অসমত যি সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হল আৰু তাৰ পিচত ৰাইজৰ আশা আকাংখ্যাৰে প্ৰতিষ্ঠিত এই বিধান সভাখন গঠন হোৱাৰ লগেলগে সমগ্ৰ অসমৰ ৰাইজৰ মনলৈ এক নতুন আশাৰ সঞ্চাৰ কৰিছে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমৰ সকলো শ্ৰেণীৰ লোকৰ উন্নতি কল্পে যিবোৰ আচনিৰ কথা উল্লেখ কৰা হৈছে সেই আটাইবোৰেই মই সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু ৰাজ্যপাল ডাঙৰীয়াক ইয়াৰ বাবে ধন্যবাদ জনাইছো। এইখিনিতে মই এটা কথা কওঁ যে আজি অসমৰ জনসাধাৰণৰ মাজত চিকিৎসা সেৱাৰ কাৰণে আগৰ চৰকাৰে যিবোৰ ব্যৱস্থা হাতত লৈছিল সেইবোৰৰ দ্বাৰা কিছুমান ভেকো ভাওনাহে সৃষ্টি কৰা হৈছিল। ইয়াৰ বাবে ১৯৭৮-৭৯ চনত স্বাস্থ্য বিভাগে কিছুমান কমিটি কৰি দিছিল। ইয়াৰ কাৰণে গুৱাহাটীৰ মাজ মজিয়াতে এখন ভেগ ইন্ষ্টিটিউচন পতা হৈছিল যি খনৰ কাম কাজৰ কথা আমাৰ সকলোৰে জানে। সেই কাৰণে মই নতুন চৰকাৰক এনেবোৰ অনুষ্ঠান সোনকালে বন্ধ কৰি দিয়াৰ কাৰণে অনুৰোধ জনাও। ইয়াৰ বাহিৰেও আমাৰ এটা মেলেৰীয়া ইৰেডি-কেশ্যন আচনিৰ অধীনত কিছুমান লোকক নিয়োগ কৰা হৈছিল— যি সকল লোকৰ সেই বিষয়ত কোনো অভিজ্ঞতা কিম্বা উপযুক্ত প্ৰশিক্ষণ নাই। ইয়াৰ ফলত এই সংস্থাটোৰে মেলেৰীয়া নিৰ্ম্মূলৰ নামত কি কাম কৰিছে তাত আমাৰ সন্দেহ আছে। সেই কাৰণে এনে অনভিজ্ঞ লোকৰ দ্বাৰা পৰিচালিত সংস্থাবোৰ চৰকাৰে তৎকালে বন্ধ কৰিব লাগে। ইয়াৰ বাহিৰেও আমাৰ সৰ্বসাধাৰণ ৰাইজে চিকিৎসা সেৱাৰ কাৰণে যাতে কোনো ধৰণৰ অাহুকাল ভোগ কৰিব নালাগে তাৰ কাৰণে নতুন চৰকাৰে সততে দৃষ্টি ৰাখিব লাগে আৰু মাননীয় ৰাজ্যপালৰ ভাষণত চিকিৎসা সেৱাৰ ক্ষেত্ৰত যিখিনি কথা প্ৰকাশ পাইছে তাৰ দ্বাৰা অসমৰ সমূহ জনসাধাৰণেই উপকৃত হব বুলি মোৰ দৃঢ়বিশ্বাস।

উদাহৰণ স্বৰূপে সাধাৰণ ইনজেকচন, চেলাইন মানুহে কিনিব লাগে। ষ্টক ৰাখি ৰাইজেসেৱা পোৱাৰ ব্যৱস্থা কৰিব লাগে। আমি দেখা পাইছো ঔষধ পাতি দিয়াৰ পিছতো ৰোগী সকলে আৰোগ্য নাপায়। কাৰণ যিবিলাক ড্ৰাগচ্ চাপ্লাই দিয়া হয় সেইবিলাকৰ মানদণ্ড অতি অনুন্নত।ঔষধ যোগানকাৰী সকলে অনুন্নত মানৰ ঔষধ যোগান দিয়ে, এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। সা-সজুলি কিনাৰ ক্ষেত্ৰত যিখন ৰুলচ আছে তাক সম্পূৰ্ণ ভায়লেট কৰা হৈছে। এই ৰুলচ যাতে মানি চলে তাৰ প্ৰতি দৃষ্টি ৰাখিব বুলি আশা কৰিছো। চিকিৎসা সেৱা জনমুখী কৰিবলৈ লোৱা হৈছে। এইটো সম্পূৰ্ণ কৃতকাৰ্য্য কৰিবলৈ হলে হেল্‌থ এডুকেশ্যন প্ৰগ্ৰেম, স্কুল হেল্‌থ এডুকেশ্যন প্ৰগ্ৰেম লব লাগিব যাতে সকলো জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি সম্যক জ্ঞান হয়। স্বাস্থ্য নীতিৰ ক্ষেত্ৰত যিখিনি ৰাজ্য-পালৰ ভাষণত ৰাখিছে তাক সমৰ্থন কৰিছো আৰু সেই সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যিখিনি কৈছে সেইখিনি প্ৰশংসনীয় হৈছে। যোৱা ৩৮ বছৰে বান নিয়ন্ত্ৰণৰ নামত ভেকোভাওনা হল, তাৰ বিনিময়ত গভীৰ চিন্তা কৰিব লাগিব। পলাশবাৰীৰ পৰা গৰৈমাৰীলৈ এটা বৃহত অঞ্চলত প্ৰতি বছৰে বান নিয়ন্ত্ৰণৰ নামত লাখ লাখ টকা মঞ্জুৰ হয়। সেই টকা বিষয়া, মন্ত্ৰীয়ে ভাগ কৰি লয় আৰু জনসাধাৰণৰ প্ৰতি সেৱা আগ নবঢ়ায়। এই ধৰণেই টকা বিতৰণ কৰি আহিছে।এই বৃহত অঞ্চলৰ ৬০ হাজাৰ জনসাধাৰণৰ যাতে জীৱন ৰক্ষা পৰে তাৰ ব্যৱস্থা লব লাগে। অসম চুক্তি কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰৰ দৃষ্টিভংগী ৰাজ্যপালৰ ভাষণত ফুটি উঠিছে। এই চুক্তি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সংখ্যালঘু সকলে ভয় আৰু শংকা কৰাৰ যি কথা কোৱা হৈছে ই অবাস্তৱ—কিয়নো সকলো লোকৰ শান্তি, ভাৰতীয় লোকৰ নিৰাপত্তাৰ মাজেৰে এই চুক্তি কাৰ্য্যকৰী কৰা হব। সদনত ১০ জানুৱাৰী তাৰিখে দাঙি ধৰা ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাইছো আৰু মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মা ডাঙৰীয়াই দাঙি ধৰা ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাইছো।

* Shri ABDUL MUHIB MAZUDAR.—Mr. Speaker Sir, I take the privilege to have this opportunity to participate in this debate on the Governor's Address. We are

*Speech not corrected

placed in a very peculiar situation. Governor in his address in the third paragraph has mentioned that the statesmanship and farsightedness of our Prime Minister Shri Rajiv Gandhi led to the signing of the Accord. Immense hopes and aspirations have been generated in the minds of the public consequent to the election and constitution of the newly elected Legislative Assembly. So, when the Governor's Address starts with the recognition of statesmanship and farsightedness of our Party President and Prime Minister Shri Rajiv Gandhi, we on this side, have a little difficult situation as to what to say from the opposition on the Governor's Address. But several things have come to us. We know who has drafted this Governor's Address and also the Governor of the State has delivered it in this House. There was a demand yesterday by Mr. Tanti, a member of the AGP in which language we should deliberate in this House. I would have spoken in Assamese. I did speak earlier in Assamese but then Sir, I would like to say that Governor himself has spoken in English. He has handed over a copy in Engilish and I took leave of the Hon'ble Speaker to speak in English. He himself delivered in English language. Now Sir, I remember a qustetion of our young Chief Minister yesterday. The other day I saw it and I am still thinking possibly he will answer if not in this session sometimes in future. To hunt an elephant means you have to ride an elephant. I would like to know the answer not now but in future, either in course of this Assembly or in the Budget Session. He has come to hunt the elephant and he has that right to do it. But the point is, who is to ride it ? Is the Congress (I) or is the peole of Assam or is it his own Party AGP itself ? I do not want to take the answer from him now. He has projected before us the immense task before him, the immense difficulty that he would be facing and the Party would be facing and that realisation I would say speaks volume about his qualities and about his farsightedness. Yesterday there was a mention by one of the members of the UMF because I did describe the Assam Accord. I stick to it. I faught election on Assam Accord.

I would try to speak on this in future in the course of the Assembly or in the Budget Session. He has desired to write it.

I still hold that I have won ths election on this. I still stick to it. The minorities supported the Assam Accord. Again. the minorities front set up candidates and took extraction from it in the State so much so that, I am grateful to them,. As a matter of fact, it is I who have drafted the Accord. It was even referred to by a paper from Calcutta,-in the Ananda Bazar Patrika. I have drafted almost all the norms of the Accord. But the people they are all minorities in my district. We come from a district which is entirely inhabited by the minorities and they are very much concerned about the minorities of the State of Assam. These minorities were confronted with the Assam Accord. In the district of Cachar, out of 15 members 10 members have been elected, and we can say there is no hide and seek. we want the implementation of the Accord. And even the minorities have voted for it. There is no lie in it.

Shri HEMEN DAS.—Sir, the word is unparliamentary.

Shri ABDUL MOHIB MAZUMDAR.—Sir, it is a terminological lie, it is not unparliamentary word. In the context of use it can be unparliamentary. The word itself is not unparliamentary. Once while Mr. Churchill also faced with this objection in the use of the word 'lie'. He also changed it. So, I have also changed it. We have seen, the people of Assam have voted the members to the House with some purpose. Because, all the members of the House are very very young. I would like to draw the attention of all of them to the Article 275 of the Rules of the House which says that while the House is sitting, a member shall not interrupt any member while speaking by improper expression or noises or in any other improper manner. Here, on my right there are few oldest members, Hon'ble members have seen it. Here also, (showing to his left) there are very very old members in the House. Because, senior members have greater responsibility. What they do others will follow. Sir, what I was submitting to the House on the Assam Accord, it has brought about a new qualitative change in the entire Northeastern region, and option was given by the people of the State, to the Hon'ble members. The people have given their verdict for implementation of the Accord. They have given the verdict in favour of the youngest members and have changed the political quality, in favour of the honest members. I say them honest, because, many of them have never visited the Gallery,

some of them even have not seen the House and its proceedings. All of them are students and student leaders There is no chance for them to be corrupt, to be misled, In them, we have some virgin babies before us Some of them have moustus and some have not. I donot know how our other old friends have looked to many of our young friends. Because they are so young some of them are very hand some also. The question is the people have given their unqualified support for giving them the reign of power. In the coming years many of us will be out because of age. Some of us may not be in the next House Many of the young members of this House will have a span of 4 5 and even 10 terms. Many of them are at the age of 25 years Now, whatever is said here to-day by our oldest friends, they will follow it for tomorrow. Whatever is said here by our friends it will be a guidance for them in the future, for the future generation of the State, of India and for the world. Because, Sir, many of us are student of history. We had the history before us of many countries of the world. We had Williem Pitt who became Prime Minister at the age of 18. So taking over of the entire power sweeping over the oldest vanguards in such a way is very rare. All the senior-most politicians have been discarded. Something fantastic has happened. History does not give an example where the entire set of experienced, learned old lesders and politicians who have sacrificed a lot, gone to the jails during the Independence movement have been rejected for the young people, who are absolutely young, without experience, Now I want to ask a basic question. Why it was done so. Why it was done by the people of the country. The people of the country judge the leaders. The people are the judge. The Indian electorates are supposed to be the best electorates, because they know what to do with political parties. So the people of Assam have optioned for the young generation by discarding the olds. They have optioned for honesty against dilution. They have given option in favour of efficiency against dilatoriness. So, I am telling you not only the people of India, but the people of the world will observe keenly what we do here. They will be looking it eagerly as an experiment what we do here in Assam That is why I want to draw the attention of the Hon'ble members to the two rules of the House. If you make the House a real place of example it will serve as an example to others and also will benefit you. We will

be out after some years. I speak again to you with honesty, because, I was the Minister for Parliamentary Affairs. Attention will have to be given to these two Rules. Now, Sir, I would like to say about quoting one thing. I have seen, because, this is a part of the game. In West Bengal Assembly there is 100% time more disturbances than here. But the question is that they maintain a decorum in the House. Mr. Voltare says. I donot agree with a word of what you say, but I will give my life for the right to say'. This is the basic thing to be followed. Follow our example, do not make us your example.

Now, Sir, let me come to the amendments to the Motion of Thanks moved by hon'ble member Shri Joy Nath Sarma by my friends in UMF. It says, let me put it in seriatim :—

(1) In the Governor's Address the actual state of affairs and its population pattern has not been fully and properly reflected.

(2) the Governor's address is self contradictory.

(3) that Governor's address is fully silent about the problems of the minorities and about the formations of an Assam Minorities Development Board which he himself stated in his address in the floor of the house on March 6, 1985.

(4). On 10th January, 1986 in pa e No. 2 of the address of the Governor's Statement. "The law and order situation remained well under control despite various pressures and forces causing tension."

(5) There was no mention in the Governor's address that uptill 13th December, the voter lists could not be supplied to the candidates and that nearly a million of of Indian citizens name was deliberately excluded from the voters lists of 1985. The Governor also did not take cognigence of the fact that those Indian citizens who preferred appeal for non-inclusion/deletion of their names in the final electoral roll as election was declared hastily when electoral roll was not at all available for the public. Governor also did not take note of the fact that large scale unprecedental rigging both in polling and counting took place in collaboration with a section of high Government officials.

(6) There was no mention of introducing any bill in the Assembly in the Governor's address but on 10th January 1986 Assam Repealing Bill, 1986 has been introduced, thereby the Government has ignored all the conventions of the House regrading introduction of any new Bill.

(7) When implementing the A sam Accord, the Governor stated that there will be speedy implementation of the Accord. But there is nothing in the minds of minorities—religious, linguistic, ethnic and others, created by Assam Accord.

(8) The Governor's address is lacking about improvement of relation in between differeet communities living in Assam which has been jeopardised due to signing of Assam Accord without consulting with concerned communities living in Assam for years together.

(9) The Governor's address is contradictory in many points relaing to the development and progress of Assam while comparing his 1985 and 1986 address side by side.

(10) The Governor has stated nothing about the construction of Jogighopa and Bhomraguri Brahmaputra Bridge.

Therefore, I say that these amendments moved by UMF are one sided. Moreover, the Governor's address has not been drafted properly. It lacks in mentioning many important issues concerning the State. I think, it has been drafted by a old man who failed to depict the correct image of the state of affairs of the State. Now, Sir, as regards Assam Accord it was said that some section of the population was not taken into confidence before reaching an agreement with the AASU. In fact that was the allegation. I have noted it down. The minority leaders had attended 22 official meetings. But the allegation was brought to the House that before the Assam Accord was signed, only A. S. S. U. and A. A. G. S. P. organisations were consulted and not the minorities. That was the allegation made before the public also. They had attended 22 official meetings before the Accord was signed. I would say, the minority groups, whether they belonged to C. R. P. C. or Congress or Zaniatul Ulema-I-Hind or any other such parties or groups. So where is the question of bypassing the minorities. I say that minorities were consulted and their views were taken

into consideration. Perhaps they thought that they had lost in the bargain when the Accord was signed. Now what I am saying is that the Assam Accord as mentioned in the Governor's address is a reality and should be implemented and there should not be any sort of clandestine negotiations behind and if any person or persons want to do so, we will protest. Sir, Assam Accord will be implemented and if during the implementation if any injustice is attempted to be done or done to anybody we will protest, everybody will protest. But if somebody wants to dilute the Assam Accord or change it or begins to carry on some clandestine negotiation, that would be a betraying of the trust reposed on us all by the people of Assam and it would be detrimental or go against the interest of the minorities. In fact the whole question is whether we should bring the long agitation over forerigners issue to an end. Sir, long 6 years agitation was there in the State. Students were fighting for a cause of Assam Government of India tried all methods. All methods available to the politicians were also cperated; everything was tried, but everything failed so to say. When it was found that such a movement having mass base could not be solved by any other means, then it was thought, particularly when Shri Rajiv Gandhiji came to power, that these long standing movement of Assam must not be allowed to prolong any longer andthey should be solved. He first solved the Punjab problem by singing the Punjub Accord and then the Assam Accord, thus putting an end to the long agitation. We will stick to it, the Assam Accord. We shall abide by every word of it, as our leader and Prime Minister, Shri Gandhi, spoke about it. People have reposed trust in him and he had to take all suggestions and all demands into consideration. Views of minorities were taken into consideration, views of the movement groups were also considered, and views of all political parties were considered and the views of the minorities viz. nobody who came to Assam before 25th March, 1971 will be sent out of Assam. That was also the decision of all the political parties. All those find place in the Accord. This view of the minorities was accepted and everybody who came before 25th March 1971 will remain in Assam without voting right however. Somebody questioned, how could they be citizens without voting rights? Why not, there are many persons who have no voting rights in any

এইটো ভাল কাম হৈছে। পিয়ল কৰা অৱস্থাত অদূৰ ভৱিষ্যতে যাতে দুষ্ট চক্ৰই দুৰ্ঘটনা ঘটাব পাৰে সেই ঘটনা নহওক তাৰ বাবে কেইটামান কথা কব বিচাৰিছো। শোণিতপুৰ জিলা আৰু অন্যান্য অঞ্চলত গম পোৱা গৈছে যি সকল ঘণীখান চৌধুৰীৰ শিষ্য আছে— ১৯৮৩ চনৰ আগে আগে কিছুমান সাম্প্ৰদায়িক মন্ত্ৰণা সিচি দিছিল সেই সকল এতিয়াও সেই অঞ্চল বিলাকত আছে। সেই অঞ্চলত অবৈধ ভাবে মৰণাস্ত্ৰ মজুত কৰি ৰাখিছে। ইয়াৰ ফলত অসমত ভয়ংকৰ বিপদৰ সৃষ্টি হব পাৰে। বিভাগীয় মন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে অবৈধ ভাবে ১৯ ডিচেম্বৰৰ তাৰিখে কংগ্ৰেছ আইৰ এজনলোকে আমাৰ চতিয়াৰ মঙ্গলা দাসক হত্যা কৰিছিল। বিভলভাৰৰ সৈতে ধৰা পেলোৱা হৈছে, সেইটো এতিয়া ফৰেণ্চিক লেবৰেটৰীত আছে। গতিকে বিভিন্ন অঞ্চলত অবৈধ মৰণাস্ত্ৰ আছে। ইয়াৰ তদন্ত কৰিব লাগে। বানপানী প্ৰতিৰোধৰ সম্পৰ্কত কব বিচাৰিছো যে শোণিতপুৰ জিলাত ভৰলী নদীত মথাউৰীৰ কাম কৰা হৈছে। সেই সময়ত কংগ্ৰেছ আইৰ এজন সদস্যৰ ভায়েকক বিশেষ ভাবে ঠিকা দিবলৈ এলটমেণ্ট দিবলৈ সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা কৰিছিল। সেই কামটো এতিয়াও হোৱা নাই। অভিযোগ হৈছিল টকা আত্মসাৎ কৰিছে। ইয়াৰ এটা বিচাৰ হব লাগে। নদীৰ মথাউৰী, স্পাৰ আদিৰ কামত ঠিকাদাৰ, মন্ত্ৰী অভিযন্তাই মিছা বিল দি বহু টকা আত্মসাৎ কৰিছে। ঠিক সেই ধৰণে ইৰিগেচনৰ দিকৰাই প্ৰজেক্টত দুনীতি হৈছে। কংগ্ৰেছ আইৰ এজনৰ ভায়েকক ঠিকা দিবৰ কাৰণে তেতিয়াৰ দিনৰ মুখ্যমন্ত্ৰীয়ে এলটমেণ্ট কমিটি কৰি ৫০ লাখ টকাৰ ঠিকা দিছিল। সেই কাম এতিয়াও হৈ উঠা নাই বিভাগীয় মন্ত্ৰী মহোদয়ে ইয়াৰ তদন্ত কৰিব লাগে। মই ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাই বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীকিৰন কুমাৰ গগৈ— পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ আৰু মাননীয় সদন, মাননীয় ৰাজ্যপালে যোৱা ১০ তাৰিখে আমাৰ অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত যি ভাষণ দাঙি ধৰিছিল সেই প্ৰস্তাৱত মই ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই সমৰ্থন দিয়াৰ যি প্ৰস্তাৱ কৰিছিল সেই প্ৰস্তাৱত মই সমৰ্থন আগবঢ়াইছো। এই ক্ষেত্ৰত মই কেইটামান কথা কবলৈ বিচাৰিছো। আপোনালোক সকলোৱে জানে যে, আমি যোৱা ৩৮ বছৰৰ পিচত ১৯৮৩ চনত অসমত ১২৬ জনীয়া ঠিকাদাৰে সেৱাৰ নামত ঠিকাদাৰী চিষ্টেম অসমত চলাই আছিল। এতিয়া গণপৰিষদৰ চৰকাৰৰ দিনত সেই ঠিকাদাৰী চিষ্টেম নাইকীয়া হল। গতিকে এতিয়া অসমৰ ৰাইজ তথা বিভিন্ন সম্প্ৰদায়ৰ উন্নয়নমূলক যি আঁচনি ৰাজ্যপালৰ ভাষণত দাঙি ধৰা হৈছে এই আঁচনিৰ দ্বাৰা অসমৰ সকলো শ্ৰেণীৰ মানুহৰ উন্নতি হব বুলি আশা কৰা হৈছে। সেয়েহে এই শাসনৰ পূৰ্ণ সমৰ্থন জনাবলৈ সক্ষম হৈছো। কোৱা বাহুল্য যে, আগৰ চৰকাৰৰ আৰু বৰ্তমানৰ চৰকাৰৰ ভিতৰত আকাশ পাতাল পাৰ্থক্য আছে। এইখিনিতে উদাহৰণ মই দিবলৈ বিচাৰিছো। আমি আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশক্ৰমে আমি বিভিন্ন সমষ্টিলৈ বিভিন্ন অভাৱ অভিযোগৰ কথাৰ বুজ লবলৈ গৈছিলো। তেতিয়া আমাৰ কিছুমান কথা পৰিলক্ষিত হৈছিল। আমি ডিব্ৰুগড় জিলাৰ বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মৰান সমষ্টিৰ নৰুৱা মৌজাত বান নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা বিচাৰিছিলো কিন্তু আজিলৈকে একো নহল। ৭ বছৰৰ আগলৈকে মৰানক ধেমাজী সমষ্টিৰ লগত সংলগ্ন কৰি ৰখা হৈছিল। গতিকে এই অঞ্চলটো সুদীৰ্ঘ ৩৮ বছৰে বানপানীত জলমগ্ন হৈ আছিল। তাৰে এটা প্ৰতিচ্ছবি মই দিব বিচাৰিছো। নৰুৱা মৌজাত ব্ৰহ্মপুত্ৰ নদীত বৰ্গীবিলৰ পৰা চাউলখোৱা লৈকেহে মথাউৰি আছে বাকী অংশত নাই। আনহাতে দিহিং নদীত ইটাখুলিলৈকে মথাউৰি আছে বাকী অংশত নাই। তাৰ মাজে মাজে চেচা নদী গৈ আছে তাতো কোনো ধৰণৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থা নাই। আনহাতে তাত যোৱা ১০ বছৰে ৰাইজে একো খেতিবাতি কৰিব পৰা নাই। তাৰোপৰি গোটেই ডিব্ৰুগড় জিলাৰ বৰষুণৰ পানী ই এন্ড দি বিভাগে নলা খান্দি চেচা নদীত পেলোৱাৰ কাৰণে এই অঞ্চল পানীৰে প্লাবিত হৈ আছে। যোৱা ৩৮ বছৰে বিভাগে এইবিলাক দেখিছেনে নাই নাজানো। এতিয়া দেখা গৈছে সকলো কাম বাদুলীৰ চিষ্টমতেই হৈছে। বাদুলীয়ে যেনেকৈ একে মুখে খায় আৰু একে মুখে পাইখানা কৰে ঠিক তেনেকৈয়ে আমাৰ কাম বিলাকো তেনে ধৰণে চলিছিল। কোনো ৰাস্তাৰে যোৱাৰ উপায় নাই। এটাও ৰাস্তা সম্পূৰ্ণ নহয় সেইবাবে নেচনেল হাইওৱেৰদি ঘূৰি যাব লগা হয়। এটা সমষ্টিত আজি ৩৮ বছৰে ৩৮ মিটাৰ ৰাস্তাও পিচ হোৱা নাই। এনে ব্যৱস্থা আগৰ চৰকাৰে চলাইছিল। আমাৰ তাত নতুন বজাৰ অঞ্চলত গঢ়াখহনীয়া হৈছিল তাত আগৰ চৰকাৰে ২২

*Speech not corrected

লাখ টকা খৰচ কৰিছিল কিন্তু তাত দেখা পাইছো কেইটামান ভুলুকা বাহৰ খুটাৰ বাহিৰে একো নাই। আনহাতে টকা সম্পূৰ্ণ খৰচ হল। কেইটামান স্বাস্থ্য কেন্দ্ৰ আছে যত ডাক্তৰ নাই আৰু প্ৰতি বছৰে ডাক্তৰ কিনিও কৰিব লাগে নহলে দৰমহা নাপায়। উপকেন্দ্ৰ বিলাকতো একে অৱস্থা। ডাক্তৰ নাই, নাৰ্চ নাই ঔষধ পাতি নাই মাত্ৰ চাইন বোৰ্ডখনহে আছে। কুৰি দফীয়া আৰ্চানৰ দ্বাৰা মানুহৰ উন্নতি সাধন কৰা হৈছিল বুলি কয় আমি দেখাত মাত্ৰ জন্ম নিৰোধৰ ক্ষেত্ৰত কিছুমান মানুহক বেমাৰী কৰাহে দেখা পোৱা হৈছে। তাৰ বাহিৰে একো উন্নতি সাধন নহল।

শিক্ষা অনুস্থানৰ ক্ষেত্ৰত দেখা গৈছে যে আগৰ এম, এল, এ সকল স্কুলৰ সভাপতি ৪।৫ বছৰে হৈ থাকে কিন্তু তেও*লোকে স্কুল দেখা নাপায়। এইবিলাক কথা আমি চাব লাগিব। মেট্ৰিক পৰীক্ষাৰ বাবে একে ঠাইতে ওচৰা ওচৰিকৈ দুটা চেণ্টাৰ হোৱা দেখিছো এটা এজিপিৰ আৰু আনটো কংগ্ৰেছ আইৰ। এইবিলাকৰ প্ৰতি আমাৰ চৰকাৰে দৃষ্টি দিবলৈ মই অনুৰোধ কৰিলো। কিছুমান শিক্ষা অনুষ্ঠানত এতিয়াও স্বাভাবিক অৱস্থা ঘুৰি অহা নাই। কিছুমানত পলিটিকেল হাৱা চলি আছে। কিছুমান অঞ্চলত শিক্ষা অনুষ্ঠানৰ মুৰব্বী সকল মণ্ডল কংগ্ৰেছৰ প্ৰেচিডেণ্ট হৈয়ে আছে। অসমৰ চুক্তিৰ কথা ৰাজ্যপালৰ ভাষণত প্ৰকাশ পাইছে। আমি আনন্দিত হৈছোযে, চুক্তিখনে আমাৰ অসমৰ ৰাইজে ইমান দিনে বিচাৰি অহা চৰকাৰ গঠন কৰাত সহায় কৰিছে আৰু ইয়াৰ মাধ্যমেৰে আমি অসমৰ ৰাইজক ইয়াৰ এটা আশু সমাধান দিব পাৰো তাৰ কাৰণে আমি চৰকাৰক গোহাৰি জনাইছো। আমি আগৰ চৰকাৰৰ চাকৰিৰ ক্ষেত্ৰটো কিছুমান দুনীতি দেখিবলৈ পাইছো। উপৰোক্ত কেইবাজনো বক্তাই এই বিষয়ে কৈ গৈছে। আমি তাত দেখিবলৈ পাইছো যে, তাত শিক্ষাগত অৰ্হতাৰ কোনো কথা নাই ১০ হাজাৰ ২৫ হাজাৰ ধনৰ বিনিময়ত চাকৰিত মকৰল কৰা হৈছিল। এইখিনি কথা আমি উপলব্ধি কৰিছো। আমি আশা কৰিছো আমাৰ চৰকাৰে দুনীতি নিবাৰণৰ বাবে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্যপালৰ এই ভাষণ প্ৰসংগত বহুতো সদস্যই আলোচনা কৰিছে বহুতো পৰামৰ্শ দাঙি ধৰিছে যিবিলাক পৰামৰ্শ আমাৰ গ্ৰহণ যোগ্য বা গঠনমূলক সেইবিলাক চৰকাৰে গ্ৰহণ কৰিব। মাননীয় সদস্য মুহিব মজুমদাৰে কৈছে যে, বি, ডি, অ' সকলক পলিটিকেলি চৰকাৰে নিয়োগ কৰিছিল। এতিয়া নাকচ কৰিলেও পলিটিকিল হৈ থাকিব। কিন্তু সকলো ক্ষেত্ৰতে এটা বুলা ৰকথা আছে। ৰেগুলাৰিটিৰ কথা আছে। এ, চি, এচ পৰীক্ষা দি লৰা বিলাক পাচ হৈ থাকে অথচ চাকৰি নাপায় আৰু বি, এ পাচ কৰিয়েই লৰা বিডি,অ হৈ যায়। সেইবিলাকৰ কথা চিন্তা কৰিব লাগিব। আজি বহুতেই সংখ্যালঘুৰ কথা উলিয়াইছে। কি কাৰণে গঠন কৰিব লগা হল। মাননীয় সদস্য সকলে উত্থাপন কৰাত আমি ভাল পাইছো। আমি ভাবিছিলো সংখ্যালঘু যিটো মৰ্চা আগৰ চৰকাৰৰ ৰাজনীতিৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰিবলৈ গঠন কৰিছে। কিন্তু এতিয়াহে গম পাইছো যে, আগৰ চৰকাৰৰ স্বাদ পাইহে গঠন কৰিছে। গতিকে অভাৱেই আবিষ্কাৰৰ মূল। গতিকে আমি দেখিছো যে, সংখ্যালঘু সম্প্ৰদায় গণপৰিষদ চৰকাৰ গঠন হোৱাৰ পিচৰ পৰাই নাইকীয়া হৈ গল। অসমৰ সকলো জাতিয়েই অসমীয়া। যদি আমাৰ কিছুমান মাননীয় সদস্যই ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰিছেআমি সকলোৱে সমিল মিলৰ সৈতে কাম কৰিলেহে সকলো কাম হব। সদো শেষত মই জয়নাথ শৰ্মাৰ প্ৰস্তাৱক পূৰ্ণ সমৰ্থন জনাই শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় আৰু মাননীয় সদস্য সকললৈ শ্ৰদ্ধা জনাই মই মোৰ বক্তব্য সামৰিলো।

## STATEMENT BY CHIEF MINISTER.

*মাননীয় অধ্যক্ষ :— এতিয়া নাজিৰাৰ ঘটনা সংক্ৰান্তত বাতিপুৱা মাননীয় সদস্য শ্ৰীগোলোক ৰাজবংশী ডাঙৰীয়াই উত্থাপন কৰা বিষয়টোৰ ওপৰত মুখ্য মন্ত্ৰী মহোদয়ে এটা বিবৃতি দিব।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :—

যোৱা ২১।১।৮৬ তাৰিখে নাজিৰাত হোৱা দুৰ্ভাগ্যজনক ঘটনাত ছুৰীকা ঘাতত এজন লোক আহত আৰু দুগৰাকী মহিলা নিহত হোৱাৰ কথা আজি ৰাতিপুৱা কেইগৰাকীমান মাননীয় সদস্যই সদনত উল্লেখ কৰিছে। উক্ত ঘটনা সম্পৰ্কততদন্ত হাতত লোৱা হৈছে। এই সন্দৰ্ভত সকলো দুস্কৃতিকাৰীৰ বিৰুদ্ধে আইন মতে কঠোৰ ব্যৱস্থা লোৱা হব। দোষী ব্যক্তি সকলক ধৰা পেলাবলৈ আৰু এনে ঘটনা যাতে পুনৰ হব নোৱাৰে তাৰ বাবে স্থানীয় কৰ্তৃপক্ষক তৎকালীনভাবে ব্যৱস্থা হাতত লবলৈ

*Speech not corrected

নিৰ্দেশ দিয়া হৈছে। এই সংক্ৰান্তত ইতিমধ্যে ৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। সদনৰ সকলো সদস্যকে দল নিৰ্বিশেষে এই অপ্ৰীতিকৰ কাৰ্য্যক গৰিহণা দিবলৈ মই অনুৰোধ জনাইছো। তদুপৰি জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত শান্তি, সম্প্ৰীতি ৰক্ষা কৰাত আমাৰ সৈতে সহযোগ কৰিবলৈ ৰাজ্যখনৰ সকলো বিবেচনা সম্পন্ন লোকলৈ মই গোহাৰি জনাইছোঁ।

শ্ৰীগোলোক ৰাজবংশী :— অধ্যক্ষ মহোদয়, সচাঁকৈ তৎপৰতাৰে এই কাম কৰা বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেনেকুৱা আৰু খবৰ আজিৰ ভিতৰতে আমি দিম, এনেকৈ কাম কৰিলে সুখী হম।

## DEBATES ON GOVERNOR'S ADDRESS

*শ্ৰীউমেশ চন্দ্ৰ দাস :— শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে মই তাক আন্তৰিকতাৰে আদৰি লৈছো। কাৰণ অসমৰ অৰ্থনৈতিক সামাজিক আদি সকলো দিশত উন্নতি কৰিবলৈ এখন সমৃদ্ধিশালী অসম গঢ়ি তুলিবলৈ এই ভাষণ অসমৰ বাবে বা ৰাইজৰ বাবে সহায়ক হব। মই এতিয়া কেইটামান দিশত নৱ গঠিত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। যোৱা চৰকাৰটোৱে প্ৰশাসনৰ নামত যি আৱৰ্জনা জাপি দিলে আমি সেই আৱৰ্জনা বিলাক নিকা কৰিবলৈ আগবাঢ়ি যাব লাগিব। আগৰ চৰকাৰে যি কাইট ৰাখি গল সেই বিলাকক আতৰ কৰি অসম খনক সমৃদ্ধিশালী কৰি তুলিব লাগিব। কাৰ্বাত ফৰিংৰ নিচিনা বিদেশীলোক আহি অসমখনক চানি ধৰিছে আৰু তেওঁলোকক খেদিবৰ কাৰণে আজি কত লোক শ্বহীদ হল। দধীচি মুনীয়ে শান্তিৰ বাণী চিতোৱাৰ নিচিনা অসম গণপৰিষদ চৰকাৰে অসম খনক আগবঢ়াই নিব লাগিব। সেই আশা ৰাজ্যপালৰ ভাষণে দিছে। অসম চুক্তি কাৰ্য্যকৰী কৰাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। অসম চুক্তি ৰূপায়ণৰ কাৰণে গণ পৰিষদ চৰকাৰ সদায়ে দায়বদ্ধ থাকিব। ১৯৮৩ চনৰ সাংঘাটিক ঘটনাৰ পিছত বৰ্ত্তমান আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। গতিকে এই আইন শৃংখলা অটুত ৰাখিবৰ কাৰণে নতুন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত যোৱা কংগ্ৰেছ চৰকাৰৰ এটা ঘটণাৰ কথা কব লাগিব— কি ধৰণৰ দুনীতিৰ শাসন চলিছিল। ৰহা অঞ্চলৰ অন্তগত বগুৰী বাৰী গাওঁৰ এগৰাকী মহিলা শ্ৰীমিলেশ্বৰী দাসক ১৯৮৫ চনৰ ৩ মাৰ্চ তাৰিখে পুলিচে অত্যাচাৰ কৰি নিশংসভাবে ধৰ্ষণ কৰিছিল। আমাৰ নৱ গঠিত চৰকাৰৰ গড়কাপ্তানী মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয় তালৈ গৈছিল। সেই মহিলা গৰাকীৰ ওপৰত ৰাজনৈতিক ভাবে প্লানি জাপি দিয়া হল তেওঁ ভবিষ্যত জীৱন নিৰ্বাহ কৰা অসুবিধা হৈ পৰিছে। এই মহিলা গৰাকীৰ প্ৰতি আমাৰ নতুন চৰকাৰে সুবিছাৰ কৰিব লাগে। ভূমি নীতিত খেলি-মেলি আছে। এই খেলি-মেলি বৰ্ত্তমান চৰকাৰে আতৰ কৰিব লাগিব। আমাৰ ৰহা সমষ্টিৰ অন্তৰ্গত চৰ অঞ্চল বিলাকত বহুতো বিদেশীয়ে বেদখল কৰি আছে বুলি আমি জানো। ১৯৮৩ চনত তেনে চৰ অঞ্চলত থাকিয়ে বহুতে অগ্নি সংযোগ লুটপাট আদি কামত লিপ্ত হৈছিল। তেওঁলোকৰ বহুতেই আজিও সেই লুটুমাৰী চৰ অঞ্চলৰ শিবিৰত আছে। এতিয়াও অসম চৰকাৰৰ পৰা কিবা পাম বুলি আশা কৰি আছে। মই ভাবো তৎপৰতাৰে এই বিলাকৰ অনুসন্ধান চলাই কিবা এটা ব্যৱস্থা কৰিব লাগে। ৰহা অঞ্চলত গড়কাপ্তানি বিভাগে আগৰ চৰকাৰৰ দিনত বহুতো দুনীতি কৰিছে। এই সমষ্টিটো সমস্যা বহুল সমষ্টি। ইয়াত নদী বেছি কিন্তু ৰাস্তাৰ কোনো যোগাযোগ নাই। গৰুৱা টৰুলি এখন মৌজা আছে তাৰ ৰাইজে ৰাস্তা দেখি পোৱা নাই। এই চৰকাৰেও যদি একো নকৰে তেনেহলে সেই মৌজাৰ ৰাইজে আৰু ৰাস্তা নেদেখিব। গড়কাপ্তানী বিভাগে এই সমস্যা বিলাকৰ অনুসন্ধান কৰি সমাধান কৰিব বুলি আশা কৰিলো। শিক্ষা সম্পৰ্কে মই দুআষাৰমান কব খুজিছো। শিক্ষাৰ ক্ষেত্ৰত বিগত চৰকাৰটোৱে যিবিলাক দুনীত কৰিলে সেই বিলাক যদি মুক্ত কৰিব পৰা নাযায় তেনেহলে শৈক্ষিক পৰিবেশ নাইকীয়া হৈ যাব। মই নিজে এজন উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আছিলো। শৈক্ষিক পৰিবেশত আমি বহুত খেলি-মেলি দেখিছো। শিক্ষা বছৰ আছিল আগতে জানুৱাৰী মাহ কিন্তু যোৱা চৰকাৰে ন্যাস্ত স্বাৰ্থৰ কাৰণে আন্দোলনৰ নাম দি শিক্ষা বছৰ মে মাহ কৰিছে। প্ৰাথমিক বিদ্যালয়ৰ

*Speech not corrected

ক্ষেত্ৰত দেখিছো আগতে ৬ দিন শিকাইছিল তাৰে শনিবৰাত অৰ্দ্ধ সময় আছিল। কিন্তু এতিয়া মাত্ৰ সপ্তাহত ৫ দিনহে শিকোৱা কৰিছে তাতে আকৌ ৩-৩০ বজাতে ছুটি দিয়ে। গতিকে এই খেলিমেলি বিলাক দূৰ কৰিব লাগিব। বানানিয়ন্ত্ৰণৰ বিষয়ে কব বিছাৰিছো। অসম ধন শস্য শ্যামলা দেশ। কিন্তু অসমত নদ-নদী বেছি। মোৰ সমষ্টিটোত নদীৰ সংখ্যা বেছি কিন্তু আগৰ চৰকাৰে এই গড়াখহনীয়া আদি নিয়ন্ত্ৰণৰ কাৰণে একো নকৰিলে। নদীৰ কাষৰীয়া অঞ্চলত সাধাৰণতে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকল আছে কিন্তু তেওঁলোকক অবৈধ চৰকাৰে একো ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা নকৰিলে, তেওঁলোকে অবৈধ কাম বিলাকহে কৰিলে। এতিয়া এই লোক সকলে আমাকে বাট চাই আছে। আমাৰ চৰকাৰে কিবা এটা ব্যৱস্থা কৰিবই লাগিব।

অধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানৰ প্ৰদত্ত আইন অনুসৰি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে আৰু অন্যান্য পিচপৰা জনগোষ্ঠীৰ কাৰণে যিবোৰ সা-সুবিধা আছে সেইবিলাক মই ভাবো এই অনুসূচীত ষোলটা সম্প্ৰদায়ৰ মাজত সঠিক ভাবে পাব পৰা নাই। আজি স্বাধীনতাৰ আঠত্ৰিশ বছৰৰ পিচতো তেওঁলোক আগবাঢ়িব পৰা নাই। সংবিধান প্ৰদত্ত নিয়মৰ প্ৰতি অমনোযোগিতা আৰু কিছুমান ধুৰন্ধৰ মানুহৰ কাৰণে অনুসূচীত জাতিৰ লোক সকল আগবাঢ়িব পৰা নাই। আচলতে চৰকাৰে বিচৰা মতে তেওঁবিলাকলৈ সুবিধা দিয়া হোৱা নাই। ভাৰতীয় সংবিধান অনুসৰি তেওঁলোকক আন সকলৰ লগতে সমানে আগুৱাই অনাৰ নীতি গৃহীত হৈ আছে। কিন্তু সেই সুবিধা বিলাক মাজ ডোখৰতে তেওঁলোকৰ পৰা হেৰাই গৈছে। মই আশা কৰিছো এতিয়া আমাৰ চৰকাৰে সেই সকলৰ ঘাটি পৰি থকা সুবিধা বিলাক ঠিক মতে প্ৰাপ্তি নিশ্চিত কৰি ইমান দিনৰ বাকী পৰি থকা বিলাকৰ ক্ষেত্ৰতো সুস্থিৰ নীতি লব।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমৰ আৰ্থ-সামাজিক সকলো দিশ সামৰা দেখা গৈছে। সেই কাৰণে অসমবাসী ৰাইজৰ লগতে মই এই ভাষণৰ প্ৰতি আন্তৰিক সমৰ্থন আগবঢ়াইছো আৰু অকুণ্ঠভাবে এই ভাষণৰ প্ৰতি মোৰ সমৰ্থন আগবঢ়াইছো।

মাননীয় অধ্যক্ষ :— মাননীয় সদস্য আব্দুল জেলিল ডাঙৰীয়াই কব।

শ্ৰীআব্দুল জেলিল :— মাননীয় অধ্যক্ষ মহোদয়, মই ২৯ তাৰিখৰ দিনাহে কম বুলি দিছিলো। মই সেদিনালৈকে কম নেকি ?

মাননীয় অধ্যক্ষ :— আপুনি ২৯ তাৰিখে কব। এতিয়া শ্ৰীপ্ৰফুল্ল কুমাৰ গোস্বামীয়ে কব।

*শ্ৰীপ্ৰফুল্ল কুমাৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আজি এই সদনত বিতৰ্ক চলি আছে। এই ক্ষেত্ৰত আমাৰ ফালৰ পৰা মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই এটা প্ৰস্তাৱ দাঙি ধৰিছে সেইটো প্ৰস্তাৱৰ লগত মইও একমত আৰু মই তেখেতক সমৰ্থন কৰিছো। মাননীয় ৰাজ্যপাল মহোদয়ে অসমৰ বিভিন্ন দিশৰ বিশেষকৈ আৰ্থ-সামাজিক দিশটো সামৰি লৈছে আৰু জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় সমন্বিতে প্ৰত্যেকজন লোককে আগুৱাই নিয়াৰ কাৰণে এই ভাষণত উল্লেখ ৰাখিছে। সেই হেতুকে আচলতে ইয়াৰ ওপৰত কবলগীয়া একোৱেই নাই। তাৰ উপৰিও বিভিন্ন দিশৰ ওপৰত চালিজাৰি বিভিন্ন জনে পুংখানুপুংখৰূপে নিজৰ নিজৰ বক্তৃতাত দাঙি ধৰিছে। এইটো ভাষণৰ এটা ঐতিহাসিক তাৎপৰ্য আছে। কিয়নো এই ভাষণ গতানুগতিক ভাষণ নহয়। ইয়াত সদ্য স্বাক্ষৰিত অসম চুক্তিৰ কথা সন্নিবিষ্ট কৰা হৈছে। অসমবাসী ৰাইজে অসমীয়া ৰাইজে যি বিচাৰিছিল সেই কথা বিলাকক ৰাজ্যপালৰ ভাষণৰ দ্বাৰা প্ৰতিপালিত হৈছে।

*Speech not corrected

অধ্যক্ষ মহোদয়, মই ভাষণৰ বাহিৰবো দুই এটা কথা ইয়াত উন্নুকিয়াব খুজিছো। বানানিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই কথা সকলোৱে জানে যে অসম এখন কৃষি প্ৰধান দেশ আৰু ইয়াৰ শতকৰা নব্বৈ জন লোকেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। দুখীয়া কৃষক লোক আৰু খিলঞ্জীয়া লোক সকলেই প্ৰধানতঃ বোছকৈ ব্ৰহ্মপুত্ৰৰ খহনীয়া আৰু বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হয়। এটা কথা উদাহৰণ দি উন্নুকিয়াব খুজিছো যে ১৯৮৩ চনতে ধেনুখানাৰ পৰা গাভৰুখানালৈ এই পাচ মাইল মথাউৰি কৰাৰ কাৰণে চেষ্টা কৰা হৈছিল যদিও আজি কোৰ্পাতি হৈ উঠা নাই। মই আমাৰ মাননীয় শিক্ষা মন্ত্ৰী যদিও বৰ্ত্তমান সদনত উপস্থিত নাই, তেখেতৰ পৰা এনডোৰ্চমেন্ট আনি মুখ্যমন্ত্ৰী মহোদয়ৰ হাতত দিছো এই কাম খিনি সম্পূৰ্ণ কৰাৰ কাৰণে। সেই অঞ্চলৰ তামোল আদি মৰি গৈছে। আমি সেই সময়ত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ চেয়াৰমেন জনকো লগ ধৰিছিলো কিন্তু তেখেত সকলৰ পৰা কোনো এজন টেকনিকেল এডভাইচাৰ থকা বুলি কলে আৰু তেওঁহে হেনো সেই বিলাক কাম কৰে। গতিকে আমি যিবিলাক আৰ্চান আদি কৰি আনিছিলো সেইখিনি টেকনিকেল এডভাইচাৰক দিছিলো। তেওঁহোনো কোনো ব্যৱস্থা লব নোৱাৰে আৰু তেতিয়া আমি সেই আঁচনি আদি লৈ দিল্লীত থকা ব্ৰহ্মপুত্ৰ বোৰ্ডৰ কমিচনাৰক সজাতী দল লৈ লগ কৰিছিলো। আজি পৰ্য্যন্ত সেই কামখিনি হৈ উঠাই নাই। আজি কিন্তু আমাৰ নিজৰ চৰকাৰ আহিছে আৰু আজি আশা কৰিছো এই মথাউৰিছোৱাৰ নোহোৱাৰ ফলত যি চাৰিখন গাওঁ বিপদাপন্ন হৈ আছে সেইটো অনতিপলমে দূৰ হব। মই মেপ আদি আঁকি মুখ্যমন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰিছো। বিশ হাজাৰ বিঘা মাটি এই মথাউৰি হলে আবাদ কৰিব পৰা হব। ইয়াৰ আগতে বিশ একৰ মাটি গড়াবাদী হৈ গৈছে। এতিয়া যাতে এই মাটি খিনি নষ্ট হৈ নাযায় তাৰ কাৰিণে এই মথাউৰি খিনি সোনকালে সমাপ্ত হোৱাতো প্ৰয়োজনীয় হৈ পৰিছে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত জলসিঞ্চন বিভাগৰ কথা উল্লেখ কৰিছে সেইটো বৰ আনন্দৰ কথা হৈছে। আমাৰ এই পবিত্ৰ সদনতো ভালেকেইজন মাননীয় সদস্যই বহুখিনি অত্যন্ত প্ৰয়োজনীয় পৰামৰ্শ দাঙি ধৰিছে। বিশেষকৈ পূৰ্বৰ মন্ত্ৰী সভাৰ ভিতৰত বহু কেইজন আইন জনা লোক আছিল। তাৰ ভিতৰত আগৰ মন্ত্ৰী সভাৰ আইন মন্ত্ৰীৰ দায়িত্বত থকা মাননীয় সদস্য গৰাকীয়ে ভালেমান বহুমূলীয়া পৰামৰ্শ দাঙি ধৰিছে। আগৰ মন্ত্ৰী সভাত ইমানখিনি আইন জনা লোক থকা সত্ত্বেও ইমানবোৰ বেআইনী কাম কেনেকৈ হব পাৰিলে মই ভাবি পোৱা নাই। প্ৰাক্তন মন্ত্ৰী গৰাকীয়ে অৱশ্যে অত্যন্ত মূল্যবান পৰামৰ্শ আগবঢ়াইছে। নতুন চৰকাৰলৈ আগবঢ়োৱা তেখেতৰ এই পৰামৰ্শ যুক্তিপূৰ্ণ। যোৱা আন্দোলনৰ সময়ত তেজপুৰ পুলিচ ৰিজাৰ্ভৰ ছয়জন পুলিচে জয়আই অসম কোৱা কাৰণে তেওঁ-লোকক পিটি পিটি কামৰ পৰা বৰ্খাস্ত কৰি ৰখা হৈছে। এই ছয়জন চিপাহীৰ (কনষ্টেব'ল) এজন ঢুকাল আৰু বাকী পাচ জন আছে। কোনো ষড়যন্ত্ৰ কৰি এনে ব্যৱস্থা কৰা হৈছে। এই বিষয়টো বিবেচনা কৰি চাব লাগে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে ১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত গোৱালপাৰাত বেটেলিয়ানৰ আৰু চি-আৰ-পিৰ মাজত গুলিয়াগুলি চলিছিল। ইয়াৰ ফলত বেটেলিয়ানৰ ভালেকেইজন জোৱানক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছিল। মই জানত এই জোৱান সকলৰ বিশেষ দোষ নাছিল। আৰু দোষ কিছু পৰিমানে আছে যদিও তেওঁ-লোকক তাৰ বাবে চাকৰিৰ পৰা বৰ্খাস্ত কৰাটো বোধকৰো উচিত হোৱা নাই। পঞ্জাৱ চৰকাৰে যেতিয়া আৰ্মি ডিজাৰ্টাৰ সকলক পুনৰ চাকৰিত যোগদান কৰিবলৈ দিব পাৰে, আমিও এই বেটেলিয়নৰ জোৱান কেইজনক পুনৰ চাকৰিত যোগদান দিয়াৰ ব্যৱস্থা হাতত ললে এই জোৱান কেইজনৰ তথা তেওঁলোকৰ পৰিয়ালৰ দুখ-কষ্টৰ লাঘৱ হব। মোৰ বোধেৰে আমি এইটো কৰিব পাৰো।

মাননীয় অধ্যক্ষ মহোদয়, মই জলসিঞ্চনৰ কথা এটা এইখিনিতে কব খুজিছো। তেজপুৰৰ ওচৰৰ ডিপোটাত এটা লিফট ইৰিগেচন স্কীম আছে। ইয়াত ৪ টা পানী দিয়া নলা আছে। কিন্তু কাম কৰিব পাৰে এটাইদিহে। বাকী ৩ টা বেয়া হৈ আছে। এই বিষয়ে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ নতুন চৰকাৰ গঠন হোৱাৰ আজি মাত্ৰ ২-২৮ দিনহে হৈছে। এই কম সময়ৰ ভিতৰতে আমাৰ

*Speech not corrected.

চৰকাৰে বিভিন্ন বিভাগত বিভিন্ন ধৰণৰ ভাল কৰাৰ বাবে ব্যৱস্থা হাতত লোৱা দেখা গৈছে। সেয়ে মই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন জনাই মোৰ বক্তিতা সামৰণি মাৰিলো।

শ্ৰীশ্বেখ আব্দুল হামিদ ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীগোলাম ওচমানী ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে তাক সমৰ্থন জনাই মই কেইটামান কথা কবলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণৰ কিছুমান কথা বেছ ভাল লাগিছে। কিছুমান বিষয়ত তেখেতৰ ভাষণ অতি যুক্তিপূৰ্ণ হোৱা নাই। কিছুমান কথা বিস্তাৰিত ভাবে কোৱা হোৱা নাই। কথাবোৰ যুক্তি-পূৰ্ণ হব লাগে। মই এই খিনিতে শিক্ষা বিভাগৰ কিছু কথা কব খুজিছো। অসমত সম্প্ৰতি শিক্ষাৰ পৰিবেশ কেনেকুৱা হৈছে সেই কথা ইয়াত উল্লেখ কৰা হোৱা নাই। শিক্ষা বিভাগৰ কাৰ্য্য-কাৰিতা কেনেকুৱা হৈছে বা শিক্ষা বিভাগ কেনেকৈ চলিছে তাক কোৱা হোৱা নাই। আগতে আছিল শিক্ষা বিভাগত এজন ডি, পি, আই। তাৰ পিচত নাম বদলাই তিনিজন ডাইৰেক্তৰ নিয়োগ কৰা হল। ইয়াৰ উপৰিও জিলা পৰ্য্যায়ত কিছুমান এলিমেণ্টেৰী এডুকেচন অফিচাৰ (ই-ই-অ')নিযুক্তি দিয়া হল স্কুলৰ কাম-কাজ চোৱাৰ কাৰণে। কিন্তু আজি আমাৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি হাই-স্কুল পৰ্য্যায়লৈকে যিবোৰ স্কুল আছে তাৰ পৰিবেশ সচাকৈ দুখ লগা। আমাৰ মাননীয় সদস্য সকলে নিশ্চয় জানে যে ৰাস্তাৰে যাওঁতে ৰাস্তাৰ কাষত যিবোৰ বেৰ-ছাল আৰু বেঞ্চ নোহাৱা ভগা-ছিগা ঘৰ
নিশ্চয় জানে যে ৰাস্তাৰে যাওঁতে ৰাস্তাৰ কাষত যিবোৰ বেৰ-ছাল আৰু বেঞ্চনোহোৱা ভগা-ছিগা ঘৰ
আছে সেইবোৰেই আমাৰ প্ৰাথমিক বিদ্যালয়। আমি সকলোৱে এইবোৰ দেখিছো। আমাৰ শিক্ষা বিভাগত কিছুমান ডি, আই আছে, কিছুমান পৰিদৰ্শক আছে যি সকলৰ কাম স্কুল সমূহ মাজে সময়ে পৰিদৰ্শন কৰা আৰু তাৰ বিভিন্ন অভাব অভিযোগকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে তথা স্কুলৰ কাৰ্য্যকাৰিতাৰ বিষয়ে ওপৰ মহললৈ প্ৰতিবেদন দিয়া। অঞ্চলত থকা প্ৰত্যেকজন পৰিদৰ্শকে স্কুল পৰিদৰ্শন কৰাটো নিয়ম। কিন্তু আমাৰ ৰাজ্যত এনে কিছুমান স্কুল আছে, বিভিন্ন পৰ্য্যায়ত, যিবোৰলৈ ৫-১০ বছৰ ধৰি কোনো পৰিদশক যোৱা নাই পৰিদৰ্শনৰ কাৰণে। মই জনাত মোৰ সমষ্টিত থকা ৭৭০ নং ছয়সীমিনো প্ৰাথমিক বিদ্যালয় খনত যোৱা ৫-৭ বছৰে কোনো পৰিদৰ্শকে পৰিদৰ্শন কৰা নাই। কিন্তু পৰিদৰ্শক সকলে অফিচত বহি থাকয়েই স্কুল পৰিদৰ্শন কৰা বুলি ওপৰৱালালৈ প্ৰতি-বেদন দি থাকে। স্কুল পৰিদৰ্শন নকৰাৰ কাৰণে একোখন স্কুলৰ বিভিন্ন দিশত ক্ষতি হোৱা দেখা যায়। যেনে ধৰক স্কুললৈ শিক্ষক সকল সময় মতে নেযায়। ইয়াৰ কাৰণে লৰা-ছোৱালীহতক যিমানখিনি সময় তেওঁলোকে শিক্ষা দান কৰিব লাগে সিমানখিনি কৰিব নোৱাৰে। ইয়াৰ ফলত লৰা-ছোৱালী তথা গাৰ্জেন সকল বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। কণ-কণ লৰা-ছোৱালীহতক আমি দেশৰ ভৱিষ্যতৰ সু-নাগৰিক কৰি গঢ়ি তুলিব লাগে, দেশৰ ধৰণী কৰিব লাগে কিন্তু এনে শিক্ষা পোৱাৰ পিচত তেওঁলোক কি সু-নাগৰিক হব? য'ত তেওঁলোকে ভাল শিক্ষা পাব লাগে তাতেই যদি পালমৰা ধৰণৰ শিক্ষা পায় তেনেহলে কেনেকৈ হব। স্কুলবোৰ পৰিদৰ্শনৰ ক্ষেত্ৰত সেয়ে চৰকাৰে কৰা দৃষ্টি দিব লাগে। পৰিদৰ্শক সকলক নিৰ্দ্দেশ দিব লাগে যাতে তেওঁলোকে বিভিন্ন পৰ্য্যায়ৰ স্কুল নিয়মিত ভাবে পৰিদৰ্শন কৰে। আনহাতে এইখিনিতে মই আৰু এটা কথা কব খুজিছো আমাৰ কিছুমান স্কুলত বহুত লৰা-ছোৱালী আছে কিন্তু সেই অনুপাতে শিক্ষক নাই। আৰু পঢ়িবলৈকো স্কুল ঘৰৰ বেৰ-ছাল নাই। আনহাতে এনে কিছুমান স্কুল ঘৰ আছে য'ত লৰা-ছোৱালী অতি কম তাত শিক্ষক কেইবাজনো। প্ৰাথমিক বিদ্যালয়ৰ এনেবোৰ কথাৰ প্ৰতি চৰকাৰে ভাল দৃষ্টি দিব লাগে। শিক্ষাৰ ক্ষেত্ৰত আমাৰ আগৰ চৰকাৰে যি ভুল নীতি লৈছিল মোৰ বিশ্বাস আমাৰ এই নতুন চৰকাৰে এনে ভুল নীতি নলব আৰু আমাৰ দেশৰ শিক্ষাৰ সৰ্বাঙ্গীন উন্নতিৰ এক বাস্তৱ দৃষ্টিভঙ্গী লৈ কাম কৰিব।

প্ৰাপ্ত বয়স্ক শিক্ষাৰ আঁচনি ক্ষেত্ৰত মোৰ কবলগীয়া এই যে এই শিক্ষা ব্যৱস্থাটো গাওঁ আৰু চহৰ সকলো ঠাইতে সমানে প্ৰসাৰ লাভ হব লাগে। এতিয়া দেখা গৈছে প্ৰাপ্ত বয়স্কৰ শিক্ষা আচনিৰ অন্তৰ্গত যিবোৰ স্কুল খোলা হৈছে সেইবোৰ প্ৰায় চহৰ অঞ্চলতেই থকা দেখা গৈছে। অথচ ইয়াৰ প্ৰয়োজন গাওঁ অঞ্চলত বেছি। মই এই বিষয়ত মাননীয় শিক্ষামন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। আৰু এটা কথালৈ মই মাননীয় শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো— সেইটো হ'ল স্কুলত বিজ্ঞান শিক্ষাৰ ওপৰত অধিক জোৰ দিব লাগে। এই শিক্ষা স্কুলৰ নিম্নতৰৰ পৰা

প্ৰয়োজন বোধে ওপৰ খাপলৈকে দিয়াৰ ব্যৱস্হা কৰিব লাগে। শিক্ষাৰ স্বতন্ত্ৰতৰ কথা কবলৈ গলে মোৰ মতে অসম কলেজ অধিগ্ৰহণ বিলখন প্ৰয়োগৰ ফলত শিক্ষাৰ অট'নমি নোহোৱা কৰিছে। এই বিলখন বাতিল কৰাৰ ব্যৱস্হা কৰিব লাগে।

অধ্যক্ষ মহোদয়, মই সদনৰ প্ৰাথমিক স্কুলৰ কথালৈ আহো। আমাৰ তাত দৰয়সীমানা নামৰ ছোৱালী প্ৰাথমিক বিদ্যালয় এখন আছে। যদিও এইখন ছোৱালীৰ স্কুল তাত কিন্তু লৰা-ছোৱালী সকলোৱে পঢ়ে যিহেতু তাত আন লৰাৰ স্কুল নাই। এইখন স্কুলত ১২০ জন লৰা-ছোৱালী আছে। ইয়াত মাত্ৰ এজনহে শিক্ষক আছে। ইয়াৰ কাৰণে আৰু ২—৩ জন শিক্ষকৰ প্ৰয়োজন আছে। অথচ বিভাগে তাত শিক্ষক দিব পৰা নাই। আমাৰ এগৰাকী মাননীয় সদস্যই নগাওঁৰ এখন স্কুলত ১৩ শিক্ষক আছে বুলি উল্লেখ কৰিছে। অথচ য'ত ৩ জন শিক্ষকৰ প্ৰয়োজন তাত মাত্ৰ এজনহে আছে। মই এই খিনিতে আৰু এটা কথা উল্লেখ কৰো— ৪০৪ নং উত্তৰ মইনবৰী প্ৰাথমিক বিদ্যালয়ৰ কথা। এইখন স্কুল ১৯৪৭ চনতে স্হাপন হোৱা তেতিয়া তাত এজন শিক্ষক আছিল। ১৯৮৫ চনত তাত আৰু এজন শিক্ষক দিয়া হয়। এতিয়া এইখন স্কুলৰ লৰা-ছোৱালী ১১৪ জন। কিন্তু অলপতে বৰপেটাৰ ডি. আই জনে দুনীতি কৰি এই স্কুল খনৰ দ্বিতীয় পদৰ শিক্ষকজনক— চাকৰিয়ে মানুহে উঠাই আনি যেলেগ এখন স্কুলত দিলেহি। এইটো বৰ বেয়া কথা হৈছে। এতিয়া এই ১১৪ জন লৰা-ছোৱালীক এজন শিক্ষকে পঢ়ুৱাব লগা হোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

বৰপেটাৰ ডি, আই চাহাব সেই শিক্ষক জনক পোষ্টসহ আন এখন স্কুললৈ স্হানান্তৰিত কৰে। আশা ৰাখিছো এই ক্ষেত্ৰত যেন বিহিত ব্যৱস্হা লোৱা হব। ৰাজ্যপালৰ ভাষণৰ ওপৰত আমাৰ বহুতো সন্মানিত সদস্যই কিছুমান কথা কৈছে যে সংখ্যালঘু সকলে অসম চুক্তি খনক ভয় কৰিব লগীয়া একো নাই। অসম চুক্তিৰ ১০ নং দফাত লিখা আছে যে 'এভিকশ্যন' কৰিব লাগে। বহুতো মাননীয় সদস্য কৈছে যে ট্ৰাইবেল বেল্ট আৰু ব্লক বিলাকত যি সকল নন-ট্ৰাইবেল আছে তেওঁলোকক আতৰ কৰিব লাগে। এই খিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে কিছুমান মানুহ সেই অঞ্চল বিলাকত বসতি কৰাৰ পাচতহে সেই অঞ্চল বিলাক ট্ৰাইবেল বেল্ট আৰু ব্লক বুলি ঘোষণা কৰা হৈছিল। এতিয়া এনে এটা অৱস্হাত যদি তেওঁলোকক উচ্ছেদ কৰা হয় তেওঁলোকৰ অৱস্হা কেনে ধৰণৰ হব? আমি যদি বিগত নিৰ্বাচনৰ দিনলৈ যাও, তেতিয়াহলে এটা কথা স্পষ্ট হৈ পৰিব যে বিদেশী নাগৰিকৰ নামত সংখ্যালঘু ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰা হৈছিল। তাৰ এট উদাহৰণ মই নিজেই। মোৰ নামও ভোটাৰ লিষ্টৰ পৰা বাদ পৰি গৈছিল। আবেদন পত্ৰৰ যোগেদি মই ভোটাৰ লিষ্টত নাম ভৰ্ত্তি কৰিছো। শশ সংখ্যালঘু ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ লিষ্টৰ পৰা বাদ দিয়া হৈছে। যোৱা সোমবাৰে এই সদনতে আমাৰ এজন মাননীয় সদস্যই ৯ লাখ ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ লিষ্টৰ পৰা বাদ পৰিছে বুলি কৈছে। এই খিনি মানুহক বিদেশী বুলি কোৱা হৈছে। মই দাঠি কব পাৰো যে এই ৯ লাখ মানুহ কেতিয়াও বিদেশী হব নোৱাৰে। কিয়নো মই জানো যে ১৯৫০ চনৰ আগতে বহুতো মানুহ ইয়াত আছে যি সকলৰ নাম ইয়াৰ পৰা বাদ পৰি গৈছে। যদি দৰকাৰ হয় মই তেনেকুৱা উদাহৰণ বহুতো দিব পাৰিম। অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই এটা কথা কব বিচাৰিছোঁ যিটো কথাও নকলে হয়তো মই ভুল কৰা হব। মই এজন চৰ অঞ্চলৰ লৰা। আমাৰ চৰকাৰৰ বাননিয়ন্ত্ৰন নামে এটা বিভাগ আছে তাত এটা ডাঙৰ বিল্ডিং আছে আৰু তাত কিছুমান ইঞ্জিনিয়াৰকে আদি বিভিন্ন লোকে কাম কৰি আছে। মই কলেজত পঢ়ি থকা অৱস্হাতে পাইছিলো যে তাত বহি থকা ইঞ্জিনিয়াৰ (গেজেটেড) সকলে চাৰ্টিফিকেট এটাচটেড কৰিবলৈ লৈ গলে সেই কামটো কৰিবলৈ ভাল পাইছিল কাম নথকাৰ বাবে। অসমত বান-নিয়ন্ত্ৰনৰ নামত কিমান টকা খৰছ হ'ল সেই টকাৰে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ বোল্ডাৰেৰে বান্ধি দিয়া হলে আজি ইমান বছৰে যি হাজাৰ হাজাৰ বিঘা মাটি ইৰোডেড হৈ গৈছিল, সেইটো নহল হেতেন। মোৰ দৃঢ় বিশ্বাস যে মোৰ সমষ্টিতো হাজাৰ হাজাৰ বিঘা মাটি খহাই লৈ গৈছে। আৰু তাত যিবিলাক মানুহৰ মাটি খহাই লৈ গৈছে তেওঁলোকক পুনৰ সংস্হাপন বা পুনৰ প্ৰতিস্হাৰ কাৰণে চৰকাৰে এতিয়ালৈকে কোনো ব্যৱস্হা কৰা নাই। আমাৰ বিৰোধী পক্ষ্যৰ এজন সদস্যই অসম চুক্তিৰ বিষয়ে কবলৈ গৈ কৈছে যে অসম চুক্তিৰ ফলত অসম গণপৰিষদ আৰু ইউনাইটেড-মাইনৰিটি ফ্ৰন্ট দুটা পাৰ্টিৰ জন্ম হৈছিল। তাৰ লগতে মই আৰু এটা কথা কব বিচাৰিছো অসম চুক্তিৰ ফলত আৰু এটা পাৰ্টি প্ৰায়েই মৃত্যু হৈছে। যিটো পাৰ্টিৰ বিধায়কৰ সংখ্যা ১৯৮৩ চনৰ নিৰ্বাচনত প্ৰায় এশ খন আসন

লাভ কৰিবলৈ সমৰ্থ হৈছিল। এতিয়া তেওঁলোকৰ কেইখনমানহে লাভ কৰিছে আৰু এইটো হৈছে কেৱল অসম চুক্তিৰ প্ৰভাৱতহে। তেওঁলোকে কব বিচাৰিছে যে তেওঁলোকে কেৱল সংখ্যা লঘু সকলৰ কাৰণেহে কাম কৰিছে। কিন্তু প্ৰকৃপক্ষে তেওঁলোকে দেশৰ কাৰণে কাম কৰা নাছিল। কেৱল নিজৰ স্বাৰ্থতহে কৰিছিল। অসম চুক্তিৰ ফলত সংখ্যা লঘু সকলৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হৈছে এই কথা মই আগতেই কৈ আহিছো। আমি পাচ বছৰলৈ ইয়াতে থাকিম। এই সময় চোৱাৰ ভিতৰত আমি যদি ভাল কাম কৰিব পাৰো তেনেহলে ইয়াৰ পিছত আমি পুনৰ বিধান সভালৈ নিৰ্বাচিত হৈ আহিব পাৰিম। শাসনাধীস্হ দলৰ পৰা কেবাজনো সদস্যই বাৰে বাৰে কৈ আছে যে অসম চুক্তিৰ ফলত সংখ্যা লঘু সকলে ভয় কৰিবলগীয়া একো নাই। মই আশা ৰাখিছো সংখ্যালঘু প্ৰতিজন জাৰতীয় নাগৰিকেই যাতে হাৰাশান্তি ভোগ কৰিব লগীয়া নহয় তাৰ কাৰণে বিশেষ ব্যৱস্হা লোৱা হব। ইৰিগেশ্যনৰ বিষয়ে মই এটা কথা কব খুজিছো যে মোৰ সমষ্টিৰ পশ্চিম মন্দিয়াত দুটা প্ৰোজেক্ট হৈছে। আজি সাত বছৰ আগতে তাত কাম আৰম্ভ কৰা হৈছে। কেইজনমান বিষয়াই দিনে ৰাতিয়ে তালৈ অহা-যোৱা কৰে কিন্তু কাম হলে একো নহয়। এই বিষয়ে মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। মাননীয় সদস্য এজনে কৈছে যে তেওঁৰ সমষ্টিটোয়েই অসমৰ ভিতৰত আটাইতকৈ পিচপৰা সমষ্টি। কিন্তু মোৰ সমষ্টি বাঘবৰ এনেকুৱা এটা সমষ্টি য'ত নেকি মাত্ৰ ৬ কিলোমিটাৰহে বাচ চলিব পৰা ৰাস্তা আছে। আৰু সিয়ো সম্পূৰ্ণ হৈ উঠা নাই। মই আশা ৰাখিছো আমাৰ নতুন চৰকাৰে প্ৰত্যেক বিষয়তো যাতে নজৰ দিয়ে আৰু অসমৰ প্ৰতিজন নাগৰিকে যাতে সুবিচাৰ পাই তাৰ প্ৰতি লক্ষ্য ৰাখি মোৰ বক্তব্যৰ সমৰ্পণ মাৰিলো।

*শ্ৰীদুৰ্গা দাস বড়োঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণাৱলীৰ ওপৰত মুখ্য সচেতক ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱটি মই সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণত অসমৰ সকলো কেইটা সমস্যাই পুংখানুপুংখ ভাবে উল্লেখ কৰা হৈছে আৰু সেই সমস্যা বিলাকৰ সমাধানৰ প্ৰতিশ্ৰুতিৰ ইংগীত স্পষ্ট ভাৱে ভাষণত আছে। সেয়েহে এই ভাষণ সমৰ্থন কৰি গোটেই কিটা বিষয়ৰ ওপৰত মোৰ বক্তব্য ৰাখিব খোজা নাই। ইয়াৰে মাত্ৰ কেইটামান সীমিত বিষয়ৰ ওপৰতহে আলোচনা ডাঙি ধৰিব বিচাৰিছে৷৷ যি সকল মাননীয় সদস্যই এই ভাষণৰ লগত কোইটামান প্ৰতিশ্ৰুতি যোগ দিব বিচাৰিছে সেই কেইটা যোগ দিয়াৰ কোনো প্ৰয়োজন নাই। যোৱা কালি আমাৰ এজন মাননীয় সদস্যই ২০ দফীয়া আৰ্চনিটো ইয়াত উল্লেখ কৰাৰ কথা কৈছে। ইয়াত দুকুড়ী চাৰিটা বিষয় অন্তভূক্ত কৰা হৈছে, তাৰ ভিতৰত এই ২০ দফীয়া আৰ্চনিটোও বিচাৰি নাপালে নেকি? দুকুড়ী চাৰি দফীয়া আৰ্চনি থকা এই ভাষণত ২০ দফীয়া আৰ্চনি বিচাৰি নোপোৱাতো নিশ্চয় অলপ অন্য দৃষ্টিত কবলৈ চেষ্টা কৰা যেন অনুমান হয়।

মাননীয় এগৰাকী সদস্যই কুৰি দফীয়া আঁচনিৰ কথা ইয়াত নাই বুলি যোৱা কালি কৈছে। যি দিশৰ ওপৰত এই ভাষণাৱলীখন প্ৰতিস্হা কৰা হৈছে ইয়াত তেখেতে কুৰি দফীয়া আঁচনিৰ প্ৰস্তাৱ বিচাৰি পোৱা নাই। ৪৪ পৃষ্ঠাৰ ভাষণাৱলীত এই খিনি বিচাৰি নাপালেও ২০ পৃষ্ঠাত বিচাৰি নোপোৱাটোৱেই প্ৰমাণ কৰিব যে তেখেতে কি দৃষ্টিভংগীৰে এই ভাষণাৱলীখন চাবলৈ চেষ্টা কৰিছে। আগৰ চৰকাৰৰ কথা ইয়াত উল্লেখ কৰিবলগীয়া নাছিল যদিও উল্লেখ নকৰিলে নহয় কাৰণে দোহাৰিব লাগিব। আমাৰ মানুহে যোৱা তিনিটা বছৰৰ কথা কেতিয়াও পাহৰিব নোৱাৰে। যোৱা তিনিটা বছৰত অসমত যিবিলাক ঘটনা ঘটি গল সেই বিলাকেই এই বছৰ তিনিটা চিৰস্মৰণীয় কৰি ৰাখিব। এই তিনিটা বছৰৰ কথা মাননীয় সদস্য সকলে উল্লেখ কৰি গৈছে আৰু ময়ো উল্লেখ কৰিব বিচাৰিছো। ইয়াৰ আগতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে এই ভাষণক কোনোবাই মেপনাকাৰ্ত্তা বুলি কৈছে আৰু কোনোবাই ইয়াক এখন ঐতিহ্যপূৰ্ণ দলিল বুলি কৈছে। আৰু এই ভাষণখনত অসম চুক্তিৰ দফা কাৰ্য্যকৰী কৰাৰ দফা থকাৰ কাৰণে আমি ৰাজ্যপাল মহোদয়ক অভিনন্দন জনাইছো। সত্য কথা কেতিয়াও কোনেও উলাই কৰিব নোৱাৰে। ভাৰত চৰকাৰে বাধ্যহৈ গণপৰিষদ আৰু ছাত্ৰ সংস্হাৰ লগত চুক্তি কৰিব লগীয়া হয়, এই কথাটো ৰাজ্যপালে ইয়াত উল্লেখ কৰিছে। আৰু এই দিশটো সামৰাৰ কাৰণে আমি বিশেষ ভাগে সুখী হৈছো। বিগত বছৰ কেইটাৰ কথা দ্বিতীয় দফাত আছে !

দেশৰ আইন শৃংখলা বৰ্ত্তমান ভাল অৱস্থাত আছে এইটো কথা স্বীকাৰ কৰিবই লাগিব। আৰু এটা কথা আমাৰ গণপৰিষদ চৰকাৰ শাসনলৈ অহাৰ লগে লগেই, তাতোকৈ গণপৰিষদ চৰকাৰ হোৱাৰ আগতেই, যেতিয়াই গণপৰিষদ দল গঠন হল তেতিয়াৰ পৰাই আমাৰ ৰাজ্যলৈ শান্তিৰ পৰিবেশ ঘূৰি আহিছিল। যিটো এতিয়াও অব্যাহত আছে। যোৱা ৬ বছৰত আইন-শৃংখলাৰ নামত কি হৈছিল সেই বিষয়ে উপৰুক্ত বক্তা সকলে কৈ গৈছে। মই সেই বিষয়ে ধোহাৰিব খোজা নাই। কিন্তু আইন-শৃংখলাৰ কথা কবলৈ যাওতে বিৰোধী পক্ষৰ এজন মাননীয় সদস্যই ভোট ৰেগিঙৰ কথা উল্লেখ কৰিছে। ভোট ৰেগিংটো যিহেতুকে তেওঁলোকে সদায়েই কৰি আহিছে সেই কাৰণে সদায়েই দেখিবলৈ পায়। ১৯৮৩ চনৰ নিৰ্বাচনত বস্তাত ভোট লৈ আহি বাকচত ভৰাই দিছিল। এজন লোকে সেই নিৰ্বাচনত ৯৬ টা ভোট দিছিল বুলি বন্দুক ফিন্দাই কৈছিল। মহামান্য বিগত চৰকাৰৰ আইন মন্ত্ৰী ডাঙৰীয়াই আইনক ফাকি দি আহি ৰাইজক বিপথে পৰিচালিত কৰিবলৈ চেণ্টা কৰাতো লক্ষনীয় বিষয় হৈছে। অভিজ্ঞতা নথাকিলে ৰেগিঙৰ কথা কেতিয়াও কব নোৱাৰে। আৰু এটা কথা কবলৈ বিচাৰিছো যে যত বেচি সমথক থাকে সেই কেন্দ্ৰত নিয়োজিত বিষয়া সকলে সেই সকল সমৰ্থকৰ হৈ কাম কৰে। এইটো কথা কেনেকৈ ভাবিব পাৰিলে? আগতে তেখেতে নিশ্চয় এই দৰেই কৰি আহিছিল বুলি আমি ধৰি লব পাৰো। এই ভাষণাৱলীত নিৰ্বাচন অনুস্থিত হোৱাৰ কথা উল্লেখ আছে। সেই কাৰণে এই ভাষণাৱলীক বিৰোধী দলৰ সদস্য সকলেও আদৰণি জনাব বুলি ভাবিছো।

ইয়াৰ পিচত মই এটা কথা উল্লেখ কৰিব বিচাৰিছো সেইটো হৈছে পৰিবহন আৰু শিক্ষাৰ সম্পৰ্কত। ইয়াত এটা লাইন দিয়া আছে সেইটো বিগত ইতিহাস সৃষ্টিকাৰী সদস্য সকলে ভাল ধৰণে-ৰেই মন দিব বুলি ভাবিছো। 'প্ৰতিভা আৰু বিকাশৰ' ওপৰত গুৰুত্ব দিয়া হৈছে। হাজাৰ টকাৰ ওপৰত নহয়। আমাৰ চৰকাৰে প্ৰতিভাক আগস্থান দিব টকাক নহয়। গতিকে এনেকুৱা সৰ্বাংগ সুন্দৰ ভাষণ বিগত ৩৮ বছৰত কোনোবা পক্ষৰ পৰা দিছিলনে নাই মই কব নোৱাৰো যদিও এই ভাষণ সৰ্বাংগ সুন্দৰ হৈছে বুলি সকলোৱেই স্বীকাৰ কৰিব লাগিব। যোৱা ৩৮ বছৰত যি পৰিবহন ব্যৱস্থা আছিল, তাত চৰকাৰে যি অৰিহণা যোগাইছিল, তাৰ ঠাইত যিটো সুস্থ অৱস্থালৈ আনিবলৈ ধৰা হৈছে এই কথা বিলাক এই ভাষণত থকাটোৱেই প্ৰমাণ কৰে যে এই চৰকাৰ কিমান দক্ষ আৰু নিকা প্ৰশাসক। এই বিলাক কাৰণতে এই ভাষণখন মাননীয় সদস্য সকলৰ সমৰ্থনৰ যোগ্য।

উদ্যোগৰ ক্ষেত্ৰত মই কব বিচাৰিছো যে ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাৰ পিচত যি দ্বিতীয় নিৰ্বাচন হৈছিল সেই নিৰ্বাচনৰ পিচত জৱাহৰলাল নেহেৰুৱে বৃহৎ উদ্যোগৰ ওপৰত প্ৰাধান্য দিছিল। তেতিয়াই ভাৰতবৰ্ষত দুটা শ্ৰেণীৰ সৃষ্টি হৈছিল— এটা হৈছে মালিক শ্ৰেণী আৰু আনটো হৈছে শ্ৰমিক শ্ৰেণী। ফলত সেই সময়ৰ পৰাই ভাৰত চৰকাৰে নিজৰ নীতি, নিজৰ আদৰ্শ পুজিপতি সকলৰ হাতত অৰ্পণ কৰি আহিছে। তেতিয়াৰ পৰাই ভাৰত চৰকাৰে পুজিপতি সকলৰ নিৰ্দেশত কাম কৰি আহিবলগীয়া হৈছে। এই কাৰণেই এই ভাষণখনক এখন দলিল বুলি কব লাগিব যে যি ভাৰত চৰকাৰে ৩৮ বছৰ ধৰি বৃহৎ উদ্যোগৰ ওপৰত প্ৰাধান্য দি আহিছে তাৰ ঠাইত অসম চৰকাৰে ক্ষুদ্ৰ উদ্যোগৰ ওপৰত গুৰুত্ব দিছে। ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত কোনো পুজিপতিৰ কথা নাই। ক্ষুদ্ৰ উদ্যোগ হলে পুজিপতি নাইকীয়া হৈ যাবলগীয়া হয়।

বন বিভাগৰ বন নীতিৰ ক্ষেত্ৰত যোৱা কেইটা বছৰত আমি এটা কথা দেখা পাইছো যে যোৱা চৰকাৰ কেইটাই বিগত ৩৮ টা বছৰে বন নীতি উচ্ছেদ নীতিত পৰিণত কৰিলে। যোৱা কালি এজন মাননীয় সদস্যই কৈ গৈছে যে দুডাল গছ কাটি জেওৰা-জপনা দিয়াৰ প্ৰচেষ্টাহে লৈ আহিছে। মাজে সময়ে আমি বাতৰি কাকতত দেখি আহিছো যে আজি অ'ত দুটা গড় মাৰিলে, কালি ত'ত চাৰিটা হাতী মাৰিলে, এই ধৰণেৰে বাতৰি কাকতত বাতৰি দি বন সংৰক্ষণ কৰি আহিছে। এই ভাষণাৱলীত য'ত অসমৰ বন বিভাগ সংৰক্ষিত হব বুলি উল্লেখ আছে সেই ভাষণাৱলী নিশ্চয় আদৰণীয় হৈছে। এই ভাষণৰ প্ৰথমাৰ্দ্ধত এটা কথা উল্লেখ কৰিছে যে যিহেতু অসম এখন কৃষি প্ৰধান আৰু নদী মাতৃক দেশ এই কৃষিৰ ওপৰত প্ৰাধান্য দিয়া হব বুলি কৈছে। অসমৰ ধানখেতি মুখ্যতঃ এক প্ৰধান খেতি, শদিয়াৰ পৰা ধুবুৰীলৈ এই খেতি অসমৰ মানুহে কৰে। অতীতৰে পৰা বৰ্ত্তমানলৈ যি পদ্ধতিৰে এই

খেতি কৰা হৈছে এই পদ্ধতিৰে দেশখনক প্ৰগতিৰ পথ লৈ অগ্ৰসৰ কৰি নিয়াত অলপো সহায় নকৰে। আজি আমাৰ সদনৰ প্ৰায় আটাইকেইজনেই কৃষকৰ লৰা যিহেতুকে আমি সকলোৱে এই কথা উপলব্ধি কৰিছো যে লেৰেলা-চেগেতা গৰুৰে খেতি কৰি কেনেকৈ দেশখনক আগুৱাই নিব পৰা হব? বিৰোধী পক্ষৰ দুই এজন সদস্যই ইয়াত যোগদান কৰি এটা কথা কৈছে যিটো কথা সময়মতে বীজ, সাৰ, গৰু আৰু সা-সজুলি আদিৰ যোগান আদিৰ কথা ইয়াত সন্নিবিষ্ট হৈছে। সেয়েহে এই গোটেই কেইটা বিভাগৰ ওপৰত মই বিতৰ্ক নাৰাখি যি 40 টা বিষয় ইয়াত আছে সেই কেইটা বিষয় যেনে চুবুৰীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ লগত সম্পৰ্ক, আৰক্ষী প্ৰশাসন, কাৰাগাৰ সংস্কাৰ, প্ৰচাৰ তদাৰকী, নিৰ্বাচন অৰ্থনৈতিক উন্নয়ন আৰু পৰিকল্পনা, অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ, পাৰ্বত্য অঞ্চলৰ উন্নয়ন, চৰ আৰু পিচপৰা অঞ্চলৰ উন্নয়ন আদি প্ৰত্যেকটো বিভাগৰে, প্ৰত্যেকটো খণ্ডৰে উন্নয়নৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰি গৈছে। তাৰোপৰি জিলা প্ৰশাসন শক্তিশালীকৰণ, প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ আইন, ন্যায় পালিকা আৰু আইনগত বিষয়, কৃষি উন্নয়ন, জলসিঞ্চন, পশুপালন, গ্ৰামোন্নয়ন, চহৰ উন্নয়ন, সমবায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ইত্যাদি সকলো বিভাগ সামৰি লোৱা হৈছে। সকলো জনগোষ্ঠী, জাতি-ধৰ্ম নিৰ্বিশেষে সমস্যা সমাধান কৰিবলৈ বিচৰা বাবে নিশ্চয় এই ভাষণ সকলোৰে গ্ৰহণ যোগ্য হ'ব বুলি আশা ৰাখি মই মোৰ চমু বক্তব্য ৰাখিছোঁ।

* শ্ৰীস্বৰূপ উপাধ্যায়ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনাই মই ৰাজ্যপাল শ্ৰীভীষ্ম নাৰায়ণ সিং দেৱৰ ভাষণৰ প্ৰতি দৃষ্টিপাত ৰাখি পৰ্য্যালোচনা কৰিবলৈ ওলাইছো। অসমৰ জনসাধাৰণে ৰাজ্যপালৰ ভাষণ অধ্যয়ন কৰি পাইছে যে তেওঁলোকে নতুনকৈ নিৰ্বাচন কৰি দিয়া চৰকাৰে তেওঁলোকৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিব পাৰিছে।

অসমৰ ৰাজ্যপালৰ ভাষণত অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰিবলৈ নতুনকৈ প্ৰচেষ্টা কৰা হৈছে। তথাপি ৰাইজৰ প্ৰতিনিধি হিচাবে যিবোৰ সমস্যাৰ কথা বা যিবোৰ দিশৰ কথা ইয়াত সন্নিবিষ্ট হোৱা নাই সেইবোৰ কথা দাঙি ধৰাৰ কৰ্ত্তব্য আমাৰ আছে। মোৰ আগতে শাসনাধিষ্ট এজন মাননীয় সদস্যই গড়াখহনীয়াৰ কথা কৈ গৈছে। এই খিনিতে মই এটা কথা উল্লেখ কৰিব খোজোঁ যে গড়পুৰ আৰু বিহালীত ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে হেজাৰ হেজাৰ বিঘা মাটি খহাই নিব খুজিছে। মই আশাঁ ৰাখিছো ইয়াক ৰোধ কৰাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লব। মোৰ দৃঢ় বিশ্বাস যে চৰকাৰে জনসাধাৰণৰ আৰ্থিক, সামাজিক উন্নতিৰ লগে লগে অসমৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাইবোৰ মঠ আৰু মন্দিৰ, কাৰেং আদি ৰক্ষা কৰাৰ কাৰণে বিশেষ ভূমিকা লব। লগতে এইবোৰৰ সংৰক্ষণ আৰু সংগঠনৰ কাৰণে ব্যৱস্থা কৰিব। ৰাজ্যপাল মহোদয়ৰ ভাষণত আমি লক্ষ্য কৰিছো যে অসমৰ বুৰঞ্জী প্ৰসিদ্ধ যে ঠাইবোৰ। এইবোৰ সংৰক্ষণৰ ব্যৱস্থাৰ কথা তাত উল্লেখ কৰা হোৱা নাই। হয়তো এইটো অনিচ্ছাকৃত ত্ৰুটী। এই আৱশ্যকীয় কথাবোৰ তাত সন্নিবিষ্ট নহলেও আমি আশা কৰিছো এই চৰকাৰে এই পুৰণি ঠাইবোৰৰ সংৰক্ষণৰ ব্যৱস্থা নিশ্চয় কৰিব।

মই আৰু এটা কথা উনুকিয়াব খুজিছোঁ যে ৰাজ্যপালৰ ভাষণত গড়া খহনীয়াৰ ব্যৱস্থা সম্পৰ্কে উল্লেখ নাই, বান পানী নিয়ন্ত্ৰণৰ কথা আছে। খহনীয়া আৰু বান এই দুটা সম্পূৰ্ণ বেলেগ বস্তু। খহনীয়া সম্পৰ্কে ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট হোৱা নাই। এটা কথা মই এইখিনিতে উল্লেখ কৰিব বিচাৰো যে বিহালী সমষ্টিত চাহবাগান যথেষ্ট আছে। বাগানৰ মজদুৰৰ লৰা-ছোৱালীয়ে শিক্ষা-লাভ কৰিছে, কোনোৱে উচ্চ শিক্ষাও লাভ কৰিছে। তেওঁলোকে মেট্ৰিক, বি, এ, পাছ কৰিছে। কিন্তু তেওঁলোকৰ সদায় এটা আক্ষেপ ৰৈ গৈছে, শিক্ষা যেন তেওঁলোকৰ কাৰণে এটা অভিশাপ স্বৰূপ হৈছে। তেওঁলোকৰ চাকৰি নিমিলে। বাগানৰ কেৰাণী, মহৰীৰ চাকৰি তেওঁলোকে নাপায় সেইকাৰণে

এই বিষয়ত বিশেষ ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ কৰিছোঁ আৰু শ্ৰম মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো প্ৰত্যেক বাগানলৈ একোখন জাননী পঠোৱা হওক যাতে মজদুৰ সকলৰ উপযুক্ত লৰা-ছোৱালীয়ে কেৰাণী, মহৰীৰ চাকৰিৰ বাবে আবেদন কৰিব পাৰে তেওঁলোককে তাতে মকৰল কৰা হয়। এই ব্যৱস্থাৰ তেওঁলোকক বহুলাংশে উপকৃত কৰিব। মাননীয় ৰাজৰংশী ডাঙৰীয়াই উত্থাপন কৰা এটা ঘটনাৰ সন্দৰ্ভত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিদৰে ক্ষিপ্ৰতৰ ব্যৱস্থা ললে আৰু সদনতো বিবৃতি দিলে সেইটো আদৰণীয় হৈছে। এইবিলাকে এটা কথা বিচাৰে যে মুখ্যমন্ত্ৰী মহোদয়ে অসমত শান্তি শৃংখলা বজাই ৰাখিবলৈ যতপৰোনাস্তি চেষ্টা কৰিছে।

কিন্তু ৰাজ্যপালৰ ভাষণত আইন শৃংখলাৰ কথা আছে আৰু তাত কোৱা হৈছে যে নিৰ্বাচনৰ কামত আইন শৃংখলা সুস্থিৰ হৈ আছে। নিৰ্বাচন ভালধৰণেই সমাধান কৰিব পৰা হব কিন্তু ভৱিষ্যতৰ আইন শৃংখলাৰ কথা তাত নাই। এইটোও মোৰ দৃঢ়বিশ্বাস যে ইচ্ছাকৃতভাবে এইটো হোৱা নাই। সেয়ে বিষয় বিলাক মই মন্ত্ৰী মহোদয়ক চাবলৈ অনুৰোধ কৰিছোঁ। ৰাজ্যপালৰ ভাষণত কি কি বস্তু বাদ পৰি গল এইবোৰ বস্তু চাবলৈ মই সদনক অনুৰোধ কৰিলো। ৰাজ্যপালৰ ভাষণে চৰকাৰে কি ধৰণৰ কাম কৰিব তাৰ এটা আভাস দিয়ে। অসমৰ ৰাইজে উতসুক হৈ চাই আছে এই চৰকাৰৰ কাম কাজৰ প্ৰতি সেই কাৰণে এইবিলাক কথা তাত সন্নিবিষ্ট হোৱাটো আমি বিচাৰিছোঁ। সংখ্যালঘুসকলে ভয়ত সন্ত্ৰস্ত হৈ আছে। চৰকাৰে সেই সকলকো আশ্বাস দিব লাগিব।

চৰকাৰে আইন শৃংখলা ৰক্ষা কৰাৰ মন কৰিলেও বা ইতিহাস প্ৰসিদ্ধ ঠাইবোৰৰ সংৰক্ষন কৰাৰ মন থাকিলেও ৰাইজে এতিয়া সেইবিষয়ে জানিবলৈ নাপাব ৰাজ্যপালৰ ভাষণত নথকাৰ বাবেই। বানপানীৰ লগতে গড়াখহনীয়া ৰোধ কৰিবলৈকো চেষ্টা কৰিব লাগিব। অসমৰ ইতিহাস প্ৰসিদ্ধ ঠাইবোৰ যাতে গড়াখহনীয়াই উটুৱাই লৈ যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। যদিও ভাষণত এই-বোৰ কথা উল্লেখ নাই কিন্তু থকা হলে অতিশয় ভাল আছিল। এতিয়া ভাষণখন সুন্দৰ হৈছে কিন্তু এইবোৰ থকা হলে সৰ্বাঙ্গসুন্দৰ বুলিব পৰা গলহেতেন।

কৃষি দফীয়া আঁচনি এক ভাল আঁচনি হৈছে, হয়তো আগৰ চৰকাৰে কাৰ্য্যত ভালদৰে ৰূপায়িত কৰিব নোৱাৰিলে, এইটো সচাঁ। কিন্তু কৃষি দফীয়া কাৰ্য্যসূচী দৰিদ্ৰ জনগনৰ উপকাৰৰ কাৰণেই ভাৰত চৰকাৰে প্ৰৱৰ্ত্তন কৰিছে। এই প্ৰৱৰ্ত্তিত আঁচনি খন অসমৰ নৱগঠিত চৰকাৰে নিশ্চয় প্ৰৱৰ্ত্তন কৰিবলৈ চেষ্টা কৰিব। কৃষি দফীয়া আঁচনিৰ সংক্ৰান্তত মাননীয় সদস্য দুই এজনে কৈছে যে এজন মানুহক দুটা মতা হাঁহ দিলে, নিশ্চয় সেইটো ভুল হৈছে। এটা মাইকী আৰু এটা মতা হাঁহ দিয়া হলেটো কণীয়েই পাৰিলেহেতেন। আৰু গছ পুলি কাটি দিয়াৰ কথা কৈছে, গছ ৰুই কাটা তাৰেবে বেৰি দিয়া হলে নিশ্চয় কাটিব নোৱাৰিলেহেতেন, সেইটো ভাল আছিল কিন্তু সেইটো নোহোৱা কাৰণে গছ কাটিলে। সেই বুলিয়েই আমি গছ ৰোৱা বাদ দিব লাগিব নেকি? নে গছ ৰোৱাটো বেয়া কাম বুলি কম? বা এটা ভুল হল কাৰণেই আমি মানহক হাঁহ, কুকুৰা দিয়াটো বন্ধ কৰিম নেকি? গৰু ছাগলী দুখীয়া ৰাইজক কিনিবলৈ ধন দিয়া হয় কিন্তু সেই ধন কোনোবা ৰাজনৈতিক মানুহে আত্মসাত কৰিলে বা কোনোবা দুনীতিপৰায়ণ বিষয়াই আত্মসাত কৰিলে বুলিয়েই আমি ৰাইজক বেংকৰ যোগেদি সাহায্য দিয়াটো বন্ধ কৰিম নেকি? নকৰো

and I request to see the opposite side on all these Mr. Speaker Sir, as you have given me time to participate in this discussion I thank you and also all the members.

*শ্ৰীপ্ৰদীপ হাজৰীকাঃ— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ আৰ্থ সামাজিক, সাংস্কৃতিক আদি কৰি সকলো দিশ সামৰি ৰাজ্যপাল মহোদয়ে আগবঢ়োৱা ভাষণত পূৰ্ণ সমৰ্থন জনাই আমাৰ দলৰ নেতা শ্ৰীজয়নাথ শৰ্মাই আগবঢ়োৱা ধন্যবাদসূচক প্ৰস্তাৱটোৰ প্ৰতি মই আদৰণি জনাইছো। লগতে কেইটামান কথাও আমাৰ উপস্থিত সদস্য সকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। স্বাধীনতাৰ বিগত এই কাল-ছোৱাত যোৱা ৩৮ বছৰে যি আইনৰ কথা শুনি আহিছিলো যি গণতন্ত্ৰৰ কথা শুনি আহিছিলো আৰু কিতাপ পত্ৰই পঢ়ি আহিছিলো সেই গণতন্ত্ৰক আইন ৰক্ষাকাৰী সকলৰ ভিতৰত ৩৮ বছৰে কাৰ্য্য

*Speech not corrected

পৰিচালনা কৰি যোৱাৰ ভিতৰত সকলো উপস্থিত নাথাকিলেও আজি আমাৰ সদনত কেইজনমান সদস্যৰ মাজেৰে গোটেই অসমৰ জনসাধাৰণক দেখা পাইছো। ই এক অতি সুন্দৰ লক্ষণ। আইন শৃংখলাৰ কথা আজি ইয়াত দাঙি ধৰি মই কব খোজো যে অসমত আজি ইমান দিনে যি অত্যাচাৰ অনাচাৰ শোষণ, নিপীড়ন চলি গল সেই সকলো কথা ইয়াৰ মাজেৰে অসমৰ বাইজে শুনিবলৈ পোৱাটো সৌভাগ্যৰ কথা।

আৰু যি আইন শৃংখলাৰ কথা দাঙি ধৰা হৈছে সেইটো খুব ভাল কথা। আইনক আইনৰ ধৰণৰে চোৱাটো আমি বিছাৰো। কিন্তু আজি অসমত ইমান দিনে অত্যাচাৰ, অনাচাৰ নিপিৰণ চলি গল তেওঁলোকৰ মাত এবাৰো যদি অসমীয়া বাইজে শুনিবলৈ পালেহেতেন তেন্তে একে কথা নহল-হেতেন। যিকি নহওক আজি আমি নতুন প্ৰতিশ্ৰুতিৰে এখন নতুন অসম গঢ়ি তোলাৰ আশা আকাংক্ষা ৰাজ্যপালৰ ভাষণত ইতিমধ্যে সন্নিবিষ্ট হোৱা দেখা পাইছো। ইয়াৰ লগতে আপোনালোকক জনাবলৈ বিচাৰিছো অলপতে হৈ যোৱা শপত গ্ৰহণ অনুষ্ঠানত ভাৰতবৰ্ষৰ নানা ঠাইৰ পৰা বিখ্যাত সাংবাদিক সকলৰ ভিতৰত প্ৰখ্যাত সাংবাদিক অৰুণশৌৰী ডাঙৰীয়াও আহিছিল তেখেতে ৰাজহুৱা ভাবে জনাইছিল যে, উঠি অহা সকলে যি চৰকাৰ গঠন কৰিছে তেওঁলোকে ৰাজ্যভাৰ সততাৰে গ্ৰহণ কৰিছে। তেওঁলোক দুৰ্নীতিমুক্ত হব। কাশ্মীৰৰ লৰা নেতা ভীম সিংঙে কৈছিল, মই এইখিনিতে দাঙি ধৰিব খুজিছো একগোট হব লাগিব। তেতিয়াহে দুৰ্নীতি দূৰ কৰিব পৰা যাব। আজি সদনত শাসক দলেই হওক বা বিৰোধী দলেই হওক গোটেই অসমৰ ৰাইজ উপস্থিত থকা বুলি ধৰিব পাৰো। গতিকে মই কওঁ যে আমি সকলোৱে যদি একগোট হৈ দুৰ্নীতি দূৰ কৰিবলৈ চেষ্টা কৰোঁ তেতিয়াহে গোটেই অসমখন দুৰ্নীতিমুক্ত হব। কাশ্মীৰৰ ল'ৰা নেতা ভীম সিংঙে কৈছিল, মই এইখিনিতে দাঙি ধৰিব খুজিছো কাৰণ ৰাজ্যপালৰ ভাষণৰ লগত দুই এটা কথাৰ মিল আছে। তেওঁ কৈছিল

শ্ৰীঅৰুণ চৰী শপঠ গ্ৰহণ সমাৰোহ মে নেহৰু ষ্টেডিয়াম মে জনতা কে সামনে কহা থা কি য়হ নয়ী অসম গণ পৰিষদ সৰকাৰ ৰাজ্য সে দুৰ্নীতি হটায়েগী। আপ লোগ ইস দুৰ্নীতি কো হতানে কে লিয়ে ইস সৰকাৰ কো প্ৰেৰিত কৰে। আপ লোগ য়দি পেইসে দেকৰ কাম কৰায়েংগে তো য়হ সম্ভৱ নহীঁ হোগা।

শ্ৰীভীম সিং নে কহা থা কি অসম গণ পৰিষদ সৰকাৰ কে লিয়ে আজ কা দিন বহুত হি সুখময় দিন হে। অন্য ৰাজ্য জেচে জম্বু কাশ্মীৰ মে ডাঃ ফাৰুক আব্দুলা কি সৰকাৰ, পঞ্জাব মে অকালী দল কী সৰকাৰ তথা দক্ষিণ মে তুলগু দেশম্ কী সৰকাৰ। য়দি ইন পাৰ্টিয়ো কা সহয়োগ হো তো দেশ মে এক নয়ী চেতনা আ জাএগী।

আজি মই সদনত কবলৈ বিছাৰিছো যে উপস্থিত থকা সকলোৱে যদি একলগ হৈ গঠণমূলক দৃষ্টিভংগী আগত ৰাখি সমন্বয়ৰ মাজত সকলোৱে কানে কান মাৰি কাম কৰো। ভাষণত উল্লেখ নাথাকিলেও আমি এখন নতুন সমাজ গঢ়ি তুলিব পাৰিম। এই মহান অসমীয়া জাতিটোক গঢ়ি তোলাৰ ক্ষেত্ৰত মাইনৰিটি মেজৰিটি নাৰাখি সকলোৱে মিলি নতুন অসম গঢ়াৰ সংকল্প কৰো আহক। আজি বহুশ বছৰ আগৰে মহাপুৰুষ শ্ৰীশংকৰদেৱে অসমৰ কাৰণে যি অবদান যোগাইছিল এই অসমীয়া জাতিটোৰ প্ৰতি তেওঁ তাত সফলতা অৰ্জন কৰিছিল। সেই সোণৰ অসম আমি আৰু বিছাৰি পোৱা নাই। সেই অসম খনক ভাঙিছিঙ্গি চুৰমাৰ কৰি কিছুমান স্বাৰ্থান্বেষীলোকে সমাজখনৰ মাজত বিভেদৰ সৃষ্টি কৰিছে। আজি গনতন্ত্ৰ বুলি কলে একো নাছিলে কোনোফালে এটা সময়তে বহু দোৰিকৈ হলেও আজি আমি বিধান সভাত মুক্তকন্ঠে গোট খাইছো। শেষত সকলোকে এখন সমাজ গঢ়ি তুলিবলৈ আগবাঢ়ি আহিবলৈ অনুৰোধ জনাই মই ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্ৰীজয়নাথ শৰ্মাই অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। এইখিনিতে মই এটা ক্ষমা বিছাৰিছো দলৰ নেতা বুলি সম্বোধন কৰা হৈছিল কিন্তু তেওঁ হুইগছে।

শ্ৰীমুক্তাৰ হুছেইন :— অধ্যক্ষ মহোদয়, আমাৰ দলীয় নেতা মাননীয় গোলাম ওচমানি ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে তাক মই সৰ্বন্তকৰণে সমৰ্থন কৰিছো। ৰাজ্যপালৰ ভাষণত বহুত কথাই উল্লেখ হয় প্ৰতি বছৰে। প্ৰকৃততে এইবিলাক বাস্তৱত ৰূপায়িত নহয়। ইয়াৰ আগতেও সদনত

শ্লোগান হৈছিল আৰু সেইবিলাক শ্লোগান হৈয়ে থাকিল। যোৱা ৩৮ বছৰে কংগ্ৰেছ চৰকাৰৰ দিনত দিনত গৰীবি হতাওৰ যি শ্লোগান হৈছিল সেই শ্লোগান কেৱল কংগ্ৰেছ দলৰ নেতা সকলৰ মাজতেই আবদ্ধ থাকিল। সেই শ্লোগান শুনিবলৈ পাইছিলো কিন্তু বছৰৰ পিছত বছৰ ধৰি তেওঁলোকে মছনদ কৰি আছিল। এই শ্লোগানৰ জৰিয়তে তেওঁলোকে গাদী ৰক্ষাৰ কথাহে চিন্তা কৰিছিল। অৱশ্যে কংগ্ৰেছৰ নেতা পালি নেতা কিছুমানৰ গৰিবী হতাও হৈছে।

অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণত শান্তি সম্প্ৰতি ৰক্ষাৰ কথা, ঐক্য সংহতি সুদৃঢ় কৰাৰ কথা, উনুকিওৱা হৈছে। এইটো ভাল কথা। কিন্তু এই শান্তি সম্প্ৰীতি আৰু ঐক্য সংহতি সামূহিক হব লাগে। অসমখনৰ সকলো সম্প্ৰদায়ৰ মাজত এই সংহতি সুদৃঢ় হব লাগে কিন্তু সেইটো নহয় যদি কেৱল দলৰ ভিতৰতে ঐক্য সংহতি আৰু শান্তি অব্যাহত ৰক্ষাৰ ব্যৱস্থা হয় সেইটো দেশখনৰ কাৰণে মংগল ময় নহব। ৰাজ্যপালৰ ভাষণত এটা উপলব্ধি কৰিব পৰা নাই যে এই নিৰ্বাচনত অসমবাসী ৰাইজৰ ওপৰত কেনেভাবে প্ৰভাব পৰিছে। অসমতো অৱশ্যে সাময়িক ভাৱে শান্তি-সম্প্ৰীতিৰ পৰিবেশ সৃষ্টি হৈছে এইটো অনস্বীকাৰ্য্য। বৰ্ত্তমান অৱস্থাতো এই পৰিবেশ মতামোটি ভাবে আছে বুলিয়ে লব লাগিব। চুক্তিৰ ১০ আৰু ১১ নং ধাৰাত যি লিখা হৈছে তাৰ দ্বাৰা এক বৃহৎ সংখ্যক জনসংখ্যা দুঃখিত। বিশেষকৈ সংখ্যালঘু সকলৰ মাজত সিচৰিত হোৱা কথাটো কংগ্ৰেছ দলে নিজ সদনত প্ৰকাশ কৰিছে। এই অৱস্থাৰ তেওঁলোকে নিজেই সৃষ্টি কৰিছিল কংগ্ৰেছী নেতা সকলে সংখ্যা-লঘুৰ গাৱে-ভূৱে গৈ এই চুক্তিৰ অমিয়বানী প্ৰচাৰ কৰিছিল। এই চুক্তিক মেগনাকাৰ্ত্তা বুলি অভিহিত কুণ্ঠাবোধ কৰা নাছিল। অসমৰ নেতা সকলেই নহয় কেৱল, সুদূৰ দিল্লীৰ পৰা এ বি এ গনিখান চৌধুৰী ডাঙৰীয়া আহিছিল চুক্তিৰ কথা, মেগনাকাৰ্টাৰ অমিয়বানী প্ৰচাৰ কৰিবলৈ, আৰু আহিছিল ৰাজেশ পাইলট। ৰাজহুৱা ভাবে চুক্তিখনক কাগজ এখন বুলি মোহাৰি পেলাব বুলি কৈছিল। ৰাজেশ পাইলটে এখন কাগজহে মাথোন বুলি কৈছিল। কংগ্ৰেছক ভোট দিলে এই চুক্তি কাৰ্য্যকৰী কৰা নহব বুলি মুক্তকণ্ঠে ঘোষণা কৰি কংগ্ৰেছ দলক ভোট দিবলৈ আহবান জনাইছিল। তেওঁলোকে আৰু কৈছিল কংগ্ৰেছদল যদি শাসনলৈ নাহে যি সকল মানুহ ৰিজাৰ্ভ মাটিত বহি আছে সেই সকলক উচ্ছেদ কৰিব। কিন্তু শেষত গৈ দেখা গল কংগ্ৰেছী বহু নেতাৰ চিকিউৰিটি মানি ফৰফিট হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যাকাত প্ৰায় বিলাক কংগ্ৰেছী নেতাৰেই পুতৌ লগা অৱস্থা হল। তেওঁলোকৰ কোনোবাই একহাজাৰ, কোনোবাই ১৬০০ আদি কৰি ভোট পালে। এই এতিয়া তেওঁলোকে গাঁৱে-ভূঁইয়ে সোমাই প্ৰকাশ কৰি আছে যে অসম চুক্তি কাৰ্য্যকৰী কৰা হব। এই সদনত কংগ্ৰেছী নেতাই চুক্তিৰ লগত আপেচা নকৰে বুলি কৈছে। আকৌ কৈছে যে যদি এই চুক্তি কাৰ্য্যকৰি কৰোতে যদি সংখ্যালঘু সকলৰ ওপৰত অত্যাচাৰ হয় তেতিয়াহলে আমি নেৰিম। এই পৰস্পৰ বিৰোধী কথাকৈ আজি তেওঁলোকে আকৌ সংখ্যালঘু জন-গণৰ মাজত সোমাবৰ কাৰণে চেষ্টা চলাই আছে। এ, জি,পি চৰকাৰে কৈছে চুক্তি কাৰ্য্যকৰী কৰা হব। এই চুক্তি কাৰ্য্যকৰী কৰোতে যদি সংখ্যালঘু সকলক অন্যায় ভাবে হায়ৰাণ বা হাৰাশাস্তি কৰা হয় তেনেহলে এ,জি,পি চৰকাৰতকৈ বেছি দায়ী হব এই কংগ্ৰেছ দলেই। কাৰণ তেওঁলোক তেতিয়া শাসনৰ গাদীত আছিল তেতিয়া চুক্তি স্বাক্ষৰিত হয়। এ,জি,পিৰ এজন মাননীয় সদস্য বন্ধুৱে কৈছে যে আমি শুনিবলৈ পোৱা মতে অসম চুক্তি সংখ্যালঘু সকলৰ লগত আলোচনা কৰি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে বোধহয় কংগ্ৰেছৰ সংখ্যালঘু নেতাসকলৰ লগত আলোচনা কৰিছিল। সেই কাৰণেই আজি জেহিৰুল ইচলাম, সাধন ৰঞ্জন চৰকাৰ, আনোৱাৰা টামুৰ, মহম্মদ ইদ্ৰিছকে আদি কৰি এই মহামান্য নেতাবোৰ আজি বিধান সভাৰ কক্ষলৈ প্ৰবেশ কৰিব নোৱাৰিলে। সেয়েহে কংগ্ৰেছী লোক সকলে এক ফালেদি কৈছে চুক্তি কাৰ্য্যকৰী কৰিবলৈ আৰু আন ফালেদি কৈছে চুক্তি কাৰ্য্যকৰী কৰিবলৈ আৰু আনফালেদি কৈছে চুক্তিয়ে সৰ্বনাশ কৰিছে। আনফালে ইউ, এম, এফ, গঠন হোৱাৰ ফলত ভোট ভাগ ভাগ হৈ গল আৰু কংগ্ৰেছ দলৰ অৱস্থা শোচনীয় হৈ পৰিল আৰু এ, জি, পিয়ে চৰকাৰ গঠন কৰিলে। তেওঁলোক আহিল এইবাৰ চুক্তি কাৰ্য্যকৰী কৰিবলৈ। তেওঁলোকে এই মজিয়াত আৰু জন-গণৰ মাজত এটাই বিবৃতি ৰাখক। চুক্তি এটা কৰা হৈছে। আজি যদি মুখ্য-মন্ত্ৰীক কেন্দ্ৰ কৰি এ, জি, পি, দলে কয় আমি কোনো আলোচনা নকৰাকৈয়ে চুক্তি কাৰ্য্যকৰী কৰিম। সেইটো তেওঁলোকে কৰিব পাৰিব। কাৰণ সেইখিনি ক্ষমতা ৰাইজে তেওঁলোকক দিছে গণতন্ত্ৰৰ

মাজেৰে, ভোটৰ জৰিয়তে। আজি প্ৰায় ৩৮ বছৰেই কংগ্ৰেছ চৰকাৰে গাদীত আছিল। যিবিলাক মানুহ খাচ মাটিত বহিছিল, যিবিলাক মানুহ ট্ৰাইবেল বেল্ট আৰু ব্লকত আছে তেওঁলোকক উচ্ছেদ কৰা হব। শোণিতপুৰ জিলাৰ দখন ৰিজাৰ্ভত ১৯৫০ চনৰ পৰাই কিছুমান মানুহে বাস কৰি আছে। কিন্তু তেওঁলোকে মাটিৰ পট্টন বিচাৰিছে যদিও আজিও পট্টন দিয়া হোৱা নাই। আগৰ চৰকাৰে গতানুগতিক ভাবেই এই দেশ শাসন কৰিছিল। ১৯৭২ চনত কামৰূপ গিজ্ঞটবীয়া ৰিজাৰ্ভত আশ্ৰয় লোৱা মানুহৰ পক্ষে কামৰূপৰ ডি, চিয়ে লিখি পঠাইছিল যে সচৰাচৰ নদী ইঙা মাটিত তেওঁলোকক পুনৰ বসতি লৈছে তেওঁলোকক মাটিৰ পট্টন দিয়া হওক। এই যি লাখ লখি মানুহ আছে তেওঁ-লোকৰ কিছুমানে খাচ মাটিত বহিছে, কিছুমান মানুহৰ তৌজিবাহী পট্টাও আছে। কিছুমানৰ আকৌ ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াত ঘৰ-চৰ ভাঙি গৈছে। চৰকাৰে তেওঁলোক বসিস্থান বা পুনৰ সংস্থাপন দিয়াৰ কাৰণে ব্যৰ্থ হৈছে। তেওঁলোকৰ মাটিৰ কোনো পট্টা নাই। এটা কাৰণতেই তেওঁ-লোকক পট্টা দিয়া হোৱা নাছিল সেইটো হৈছে নিৰ্বাচনত ভোট লাভ কৰা। নিৰ্বাচন আহিলেই তেওঁ-লোকক ভয় দেখুৱাইছিল যে ভোট নিদিলে নিৰ্বাচনৰ পাচত তেওঁলোকক এই মাটিৰ পৰা উচ্ছেদ কৰা হব। মানুহ বিলাকক মানবীয় দৃষ্টিৰে চোৱা হোৱা নাই। অমানবীয় দৃষ্টি চলিয়েই আছে। আজি কৈছে তেওঁলোকক উচ্ছেদ কৰা হব। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছো যে আজি অসমৰ চৰ অঞ্চলৰ সাধাৰণ মানুহ বিলাকে বেচি ভয় খাইছে। যিহেতু ট্ৰাইবেল বেল্ট আৰু ব্লক বোৰত বহুতো নন্ ট্ৰাইবেল মানুহ আছে। এওঁলোকক পট্টা দিব নালাগে এইটো চৰকাৰী নিয়ম। কিন্তু তথাপিও প্ৰশাসনে এই বিলাকক পট্টা দিছিল। সাধাৰণ মানুহ বিলাকে সেই মাটি কিনিব পাৰিবনে নোৱাৰে সেইবোৰ কথা জনা নাছিল। যি সকলে ক্ষমতাত অধিষ্ঠিত থাকোতে এই পট্টা বিলাক দিছিল তেখেত সকলেই এইবোৰৰ কাৰণে দায়ী। ৯ লাখ ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্ত্তন কৰা হৈছে। ভোটাৰ তালিকা সংশোধনৰ সময়ত ১৯৫২ চনৰ আগৰ কাগজ পত্ৰও নিৰ্বাচনী বিষয়াৰ হাতত তুলি দিয়া হৈছিল। কংগ্ৰেছী মন্ত্ৰীকে আদি কৰি মুখ্যমন্ত্ৰীয়ে কৈছিল নিৰ্বাচন আগতে হৈ যাওক নিৰ্বাচনৰ পাচত এই বিষয়া বিলাকক শাস্তি দিয়া হব। কিন্তু আজি সেই কংগ্ৰেছী দল ক্ষমতাত অধিষ্ঠিত হব নোৱাৰিলে। এতিয়া নিৰ্বাচনৰ পাচত যিবিলাকে ভাৰতীয় নাগৰিকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা নাছিল তেওঁলোকক শাস্তি দিয়ক। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, বিৰোধী দলৰ সদস্য আৰু অন্যান্য দলৰ সদস্য সকলে মিলি এটা টিম কৰক আৰু তেওঁলোকে ভাদৰে চাই লওক সেই মানুহখিনি বিদেশীনে? কিমান চনৰ কাগজপত্ৰ তেওঁলোকৰ তাত আছে তেওঁলোকে কব পাৰিব। কিন্তু তেওঁলোকৰ মাটিৰ পট্টা নাই। ভোটাৰ তালিকাতো আগতে তেওঁলোকৰ নাম আছিল। কিন্তু এইবাৰ বহুতো মানুহৰ নাম ভোটাৰ তালিকাত উঠা নাই। তেওঁলোকক বিদেশী বুলি কব বিচৰা হৈছে। মই আশা ৰাখিছো আৰু বিশ্বাস কৰো যে নৱ নিৰ্বাচিত এ, জি, পি চৰকাৰে এই বিষয়ে দৃষ্টিগোচৰ কৰি অনুসন্ধান কৰিব আৰু এটা কাৰ্য্যকৰী ব্যৱস্থা লব।

## ANNOUNCEMENT FROM THE CHAIR

মাননীয় অধ্যক্ষ :— এইখিনিতে দুটা ঘোষণা আছে। সদনৰ জ্ঞাতাৰ্থে মই সেই দুটা পঢ়ি দিছো।

**ঘোষণা**

অসম বিধান সভাৰ জানুৱাৰী অধিবেশনৰ বাবে চৰকাৰৰ বিভিন্ন বিভাগলৈ পঠোৱা অনুমোদিত তৰাচিহ্নিত প্ৰশ্নৰ প্ৰবিৱৰণী :—

| | | |
|---|---|---|
| ১। গড়কাপ্তানী | — | ৩ |
| ২। মুখ্যমন্ত্ৰীৰ সচিবালয় | — | ২ |
| ৩। গৃহ | — | ১৩ |
| ৪। জলসিঞ্চন | — | ১ |

| | | |
|---|---|---|
| ৫। পৰিবহন | — | ২ |
| ৬। ৰাজহ | — | ৪ |
| ৭। শক্তি | — | ১ |
| ৮। বাননিয়ন্ত্ৰণ | — | ২ |
| ৯। সমবায় | — | ১ |
| ১০। ৰাজনৈতিক | — | ৪ |
| ১১। সাহায্য ও পদনৰ সংস্থাপন | — | ২ |
| ১২। শিক্ষা | — | ৫ |
| ১৩। বন | — | ৩ |
| ১৪। গ্ৰামোন্নয়ন | — | ১ |
| ১৫। ন্যায় | — | ১ |
| ১৬। সচিবালয় প্ৰশাসন | — | ১ |
| ১৭। কৰ্ম্মচাৰী প্ৰশাসন | — | ৫ |
| ১৮। সাধাৰণ প্ৰশাসন | — | ১ |
| ১৯। পৌৰ প্ৰশাসন | — | ১ |
| ২০। সমাজ কল্যান | — | ১ |
| | মুঠ | ৫৪ |

ইয়াৰে ভিতৰত এটা ন্যায় বিভাগৰ আৰু এটা জলসিঞ্চন বিভাগৰ পৰা উত্তৰ সদনত দিয়া হৈছে।

এই পবিত্ৰ সদনৰ মাননীয় সদস্য সকলক এতদ্বাৰা মই জনাওঁ যে, ভাৰতীয় জাতীয় কংগ্ৰেছ (আই) বিধায়িনী দলৰ পৰা মই জানিব পাৰিছো যে, এই দলৰ এজন বিধায়ক শ্ৰীগোলোক ৰাজবংশীক ভাৰতীয় জাতীয় কংগ্ৰেছ (আই) বিধায়িনী দলৰ দলপতি হিচাবে নিৰ্বাচন কৰিছে। ভাৰতীয় জাতীয় কংগ্ৰেছ (আই) বিধায়িনী দল যিহেতু অসম বিধান সভাত সংখ্যাগৰিষ্ঠ বিৰোধী দল হিচাবে প্ৰতিস্থিত আৰু প্ৰয়োজনীয় সংখ্যক সদস্য এই দলৰ আছে, সেই কাৰণে ২২।১।৮৬ তাৰিখৰ পৰা মই শ্ৰীগোলোক ৰাজবংশীক অসম বিধান সভাত বিৰোধী দলৰ দলপতি হিচাবে স্বীকৃতি দিলো।

Now, the House stands adjourned till 10 A. M. on Wednesday the 29th January, 1986.

## ADJOURNMENT

The House then rose and stood adjourned till 10 A. M. on Wednesday, the 29th January, 1986.

Dispur :
The 22nd January, 1986.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

AGP. (Mini)—114/88—1,500—3-1-89